চান্দমামা

জুলাই ১৯৯৪



নাৱে কৰে টুলুংভুটুং বঠাই ৰোলে কি ? পিকনিকৰ আচল মজা আনে যি।

পাৰ্লে-জি

সোৱাদ ভৰা, শক্তি ভৰা।

ভাৰতৰ সৰ্ব্বাধিক বিক্ৰী হোৱা বিস্কুট।

everest/93/PP/171-as

চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬


Say "Hello" to text books and friends
'Cause School days are here again
Have a great year and all the best
From Wobbit, Coon and the rest!


It's time to go back to school again. Time for text
books. Time for games. Time to meet old friends.
And make new ones. Time to start studying
again. Because there's so much to learn about
the world around you.
From all of us here at Chandamama, have a
great year in school. And remember to tell us
what you've learnt everyday, when you
come home from school !
SUPER RUBBER
THE
CHANDAMAMA
COLLECTION
ARTIG1246

চান্দমামা

*

জুলাই ১৯৮৪

এই সংখ্যাত আছে

'শিক্ষা-বিপ্লৱ' : ৭
নতুন ছিজাৰ : : ৯
মনে-খনা পুখুৰী : ১১
ৰিচিত্ৰ কণ্ঠহাৰ : ১৭
মন্ত্ৰ আৰু মানৱ : ২৫
ৰোষ বুজি ৰাখে ৰোষ : ৩১
চান্দমামা-ক্ৰোড়পত্ৰ : ৩৩
খোলোচা গল্প : ৩৭
বি-সম্বাদৰ ঝমক : ৪১
মৰমে নাজানে মান : ৪২
বীৰ হনুমান : ৪৫
বৈণীয়েই ঘৰ : ৫৩
কুৰীয়া আৰু সুৰীয়া : ৫৮
ৰিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য : ৬৩

আৰু ফটো-প্ৰতিযোগিতা পুৰস্কাৰ ৬৫

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

'শিক্ষা-বিপ্লৱ'

আমাৰ সংবিধান-প্ৰণেতাসকলে. শিক্ষা-ক্ষেত্ৰত ছাত্ৰসকল বিনা-মূলীয়া শিক্ষাৰ অধিকাৰৰ কথা ভাবিছিল। কিন্তু সেই 'অধিকাৰ' তেনেকৈ দিবলৈ নহ'ল। যি হ'ল—সি হ'ল—শিক্ষাৰ আৱশ্যিকতা স্বীকাৰ। কিন্তু সি-ও বাধ্যতামূলক নহয়। কিয়নো—আমাৰ দেশৰ অধিকভাগ শিশুৱেই সিহঁতৰ পিতৃ-মাতৃৰ হৈ শ্ৰম কৰি আৰ্জিব লাগে ; ঘৰুৱা কামত, খেতি-বাতিৰ কামত, গৰু-ম'হ আদিৰ পালনত সহায় কৰিবই লাগে দিনৰ দিনটো।

এনেবোৰ নানান বিষয়ে ভবা-গুণা কৰি সম্প্ৰতি কিছুসংখ্যক শিক্ষা-বিশেষজ্ঞই এক অভিনৱ আঁচনি দাখিল কৰিছে যে—যিবোৰ ছাত্ৰে দিনৰ ভাগত সিহঁতৰ পৰিয়ালৰ কাৰণে বাধ্যতামূলকভাবে শ্ৰম কৰিব লাগে—সিহঁতে যেই-সেই সময়ত অৰ্থাৎ দুপৰীয়াৰপৰা ৰাতিৰ প্ৰথমাছোৱালৈকে পঢ়াশালিলৈ আহি পঢ়িব পৰাকৈ সময়ৰ ছেদভেদ নোহোৱাকৈ পঢ়াশালি চলাই থাকিব লাগে।

বাস্তৱিকেই, এই আঁচনি অভিনৱ আৰু আমাৰ দৰে উন্নতিশীল দেশৰ পক্ষে উপকাৰী। এই আঁচনিয়ে বাধ্যতামূলকভাবে লিখা-পঢ়াত আধ্যা দিয়াইতে উপকৃত হোৱাৰ উপৰিও এতিয়াৰ তুলনাত ঢেৰ অধিক সংখ্যকে শিক্ষকতাৰ চাকৰিও পাব আৰু তাৰে 'শিক্ষিত বেকাৰ' সমস্যাৰো আংশিক উপশম হ'ব আৰু অন্যান্য শ্ৰেণীৰ কিছু সংখ্যককো বিভিন্ন ধৰণৰ কামত নিযুক্তি দিয়া যাব। কিন্তু 'যোৱাব' কোনে আৰু কেনেকৈ সেইটোহে কথা। কোনো আগবাঢ়ি নাহিলে কেনেকৈনো হ'ব শিক্ষাৰ বিপ্লৱৰ পথলৈ 'যোৱা' ?

হ'ব কেৱল বি বি বা বা· গোৱা

বছৰ : ১৯   জুলাই ১৯৯৪   সংখ্যা : ৪

খনে ৪·০০ টকা :: বছৰেকীয়া বৰঙনি ৪৮·০০ টকা

পোলিঅ'প্লাছ

শিশুহঁতলৈ
ব্যাধিবিহীন মুক্তজীৱনৰ
সুস্পষ্ট আশ্বাস

কেতিয়া কিমান ছিটা দিব লাগিব

ছিটা কেতিয়াৰপৰা আৰম্ভ কৰিব	ছিটাৰ নাম	ৰোগৰ নাম	কিমান বাৰ দিব লাগিব
জন্মৰ লগে লগে	**বি ছি জি**	**যক্ষ্মা**	এবাৰ মাথোন
৬ সপ্তাহ	**পোলিঅ'**	**পোলিঅ'**	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৬ সপ্তাহ	**ডি পি টি**	**ডিপথেৰিয়া** **পাৰ্টুছিছ** (আজোৰা কাহ) **টেট্যানাছ** (ধনুষ্টংকাৰ)	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৯ মাহ	**মিজল্‌জ**	সৰু আই	এবাৰ মাথোন

জন্মৰ বাৰ মাহৰ ভিতৰতে শিশুক সকলো ধৰণৰ ছিটা সম্পূর্ণ-কৈ দিব লাগিব।

গৰ্ভৱতীসকলে গৰ্ভধাৰণৰ শেষৰ ফালে দুবাৰ টেট্যানাছ (টি টি) ছিটা লোৱা আৱশ্যক। প্ৰথমবাৰ ছিটা লোৱাৰ এমাহৰ অন্তত দ্বিতীয়বাৰ ল'ব।

সুস্থ শিশু—জাতিৰ আশা আৰু গৌৰৱ

পৃথিবীৰ খিৰিকীৰে

নতুন ছিজাৰঃ নতুন সাধাৰণতন্ত্ৰ

ইতালি দেশৰ জনসাধাৰণে বিগত ৪৫ বছৰৰ বাঁওপন্থী কমিউনিস্ট শাসনৰ পৰিৱৰ্তন বিচাৰি এইবাৰ সোঁপন্থী সকলক নিৰ্বাচিত কৰা যেন বোধ হৈছে—সোঁপন্থী সকলকো এবাৰ শাসনৰ সুযোগ দিবলৈ তথা তেওঁলোকৰো পৰীক্ষা ল'বলৈ। যোৱা মাৰ্চৰ ২৭ আৰু ২৮ তাৰিখে যি-নিৰ্বাচন অনুষ্ঠিত হ'ল, সেই নিৰ্বাচনত ইতালীয় সংসদৰ নিম্নকক্ষত খৃষ্টিয়ান ডেম'ক্ৰেটিক আৰু অন্যান্য বাঁওপন্থী পাটিক চেৰ পেলাই সোঁপন্থীসকলে সন্মিলিতভাবে অধিক আসন লভিলে। আমি এই বাতৰি ছপাবলৈ লওঁতে 'Forza Italia' (ইতালি আগবাঢ়া) পাৰ্টিৰ নেতা মি. ছিলভো বেৰলুছ-কনিয়ে ইতালিৰ প্ৰেজিডেন্ট অ'স্কাৰ লুইজি ছিলফাৰোৰ-পৰা যুদ্ধ-পৰৱৰ্তী ৫৩ তম ইতালীয় চৰকাৰ গঠন কৰাৰ আহ্বানলৈ বাট চাই ৰৈ আছে—যি-চৰকাৰে ইতালি নামৰ দেশখনক পুনৰ এক অভিনৱ সাধাৰণতন্ত্ৰলৈ পৰ্য্যৱসিত কৰিব বুলি আশা কৰা হৈছে।

ফ'ৰ্জা ইতালিয়াই (Forza Italia) ১৫৫ খন আসন পালে আৰু মি. গিয়াফ্ৰান্‌কো ফিনিৰ নেতৃত্বত উত্তৰভাগৰ সহযোগী পাৰ্টিৱে পালে ১০৫ খন, লগতে মি. উম্‌বেৰ্তো বোছিৰ নেতৃত্বাধীন নৰ্দাৰ্ন লিগে জিকিলে ১০৬ খন অসনত। এই তিনিওখন পাৰ্টিয়েই সোঁপন্থী, আৰু সেইহে, কোৱালিশ্যান' চৰকাৰ গঠন কৰিবলৈ ৬৩০ আসনযুক্ত সংসদীয় নিম্নকক্ষত এওঁলোকে সন্মিলিতভাবে পূৰ্ণ সংখ্যা-গৰিষ্ঠতা লভিলে। এওঁলোকৰ ৫৮ ভাগৰ বিৰুদ্ধে পূৰ্বতম বাঁওপন্থীসকলে পালে মুঠেই ৩৪ ভাগ।

ইতালি দেশখন হ'ল—আড্ৰিয়াটিক সাগৰ ভূমধ্য সাগৰ আদিৰে আগুৰা উপদ্বীপীয় দেশ। কিছুমান বিছিন্ন দ্বীপও এইখন দেশৰ অংশ। ছিছিলি, ছাৰ্ডিনিয়া আদি হ'ল এনেহেন দ্বীপৰ অন্যতম। ইতিহাসৰ সূত্ৰে আমি জানো যে—ইতালি দেশ ৫১০-বপৰ ২৭ খৃষ্ট-পূৰ্বাব্দলৈকে তেতিয়াৰ প্ৰচণ্ড শক্তিশালী ৰোমীয় শাসনাধীনত আছিল। ২৭ খৃষ্ট-পূৰ্বাব্দৰপৰা ৪৭৫ খৃষ্টাব্দলৈকে ৰোমীয় সাম্ৰাজ্যৰ অন্যতম অংশ আছিল ইতালি। এই কালৰ শাসনকৰ্তাসকলৰ অন্যতম আছিল য়ুলিউছ কায়েছাৰ অৰ্থাৎ জুলিয়াচ ছিজাৰ।

ৰোমীয় সাম্ৰাজ্যৰ দিন যেতিয়া শেষ হৈ আহিল, তেতিয়া ১৬ শতিকাৰপৰা ১৭ শতিকালৈকে ইতালিৰ ওপৰত স্পেন দেশে প্ৰভুত্ব চলাইছিল, তাৰ পাছত ক্ৰমান্বয়ে অষ্ট্ৰিয়া, ফ্ৰান্স ইত্যাদি। ফৰাছি সাম্ৰাজ্যৰ নাপলেয়ঁ ব'নাপাৰ্তৰ যেতিয়া ওৱাটাৰ্লুৰ যুদ্ধত (১৮১৫) পতন হ'ল, তেতিয়া ইতালিৰ স্বাধীনতা-যুদ্ধৰো আৰম্ভণী। বহু দিন ধৰি যুঁজি যুঁজি ১৮৭০ চনতহে এই স্বাধীনতা মিলিল।

প্ৰথম বিশ্বযুদ্ধৰ (৯১৪-১৮) অন্তত বেনিতো মুছ্‌ছোলিনিয়ে ইতালিত জাতীয় আন্দোলনৰ পাতনি তৰি ৯১৯ চনত তাত ফেছিজ্‌মৰ অৰ্থাৎ বিশ্বত্ৰাস হিটলাবাদৰ প্ৰৱৰ্তন কৰে আৰু তিনি বছৰৰ পাছত নিজেই প্ৰধানমন্ত্ৰীৰ বাব লৈ স্বেচ্ছাচাৰী শাসকৰূপে (ডিক্‌টেটাৰ) দেশ শাসন কৰিবলৈ ধৰে আৰু জাৰ্মান ডিক্‌টেটাৰ ফ্যুৰাৰ আডল্‌ফ্‌হিটলাৰৰ সৈতে মিত্ৰতা স্থাপন কৰে। এই অশুভ মিত্ৰতাৰ ফলাফল হৈছিল অতি ভয়ংকৰ। ইতালিদেশ পক্ষে তো ভয়ংকৰ হৈছিলেই, আনকি সমগ্ৰ বিশ্বৰ শান্তিকামী জনসমষ্টিৰ পক্ষেও হাতী-নিগণিৰ পৰম মিত্ৰতাই শেহলৈ গৈ এক প্ৰচণ্ড ভয়াবহতাৰ সৃষ্টি কৰিছিল। ১৯৪৩ চনত মুছ্‌ছোলিনি ক্ষমতাচ্যুত হয় আৰু দেশৰপৰা পলাই যাওঁতে নিহত হয়। ৯৪৬ চনত ইতালি ৰাজতন্ত্ৰী গুচি সাধাৰণতন্ত্ৰী হৈছিল। কিন্তু—নিকৰুণ অৰ্থ-নৈতিক ভাৰসাম্যহীনতা, শাসনৰ অস্থিৰতা আদি একাদিক্ৰমে চলি থকাৰ ফলত ইতালি দেশত যোৱা ৪৫ বছৰত ৫২ খন চৰকাৰ গঠিত আৰু লুপ্ত হয়। কেইখনমান চৰকাৰ আনকি দিনদিয়েকৰ বাবেহে গঠিত হৈছিল। মুঠতে—ইতালিদেশত এক অসহনীয় অবিচাৰমূলক অত্যাচাৰী অৱস্থাই বেয়াকৈ মূৰ দাঙি উঠিছিল—যি অৱস্থাৰ বিৰুদ্ধে জনসাধাৰণ হৈ উঠিল নিৰ্ভীক প্ৰতিবাদী।

পাছত অৱস্থাই ইমান বেয়ালৈ ঢাল লৈছিল যে—শাসকদলে বিৰোধীদলৰ সৈতে সহযোগ কৰাত বাধ্য হৈছিল আৰু তাৰ ফলত দুৰ্নীতি, কেলেংকাৰি ইত্যাদিৰ সোঁত বৈ গৈছিল, উচ্চ পদাধিকাৰী সকলৰ মাজত নীতিহীনতাই দ'কৈ শিপাইছিল।

এনেবোৰ কাৰণতে নিৰ্বাচন ঘোষণা কৰা হৈছিল আৰু জনসাধাৰণেও পৰিৱৰ্তন-প্ৰয়াসী হৈ বাওপন্থী ব্যৰ্থ শাসকসকলক নিৰ্বাচনৰ যোগেদি টানি নমাই এইবাৰ আকৌ সোঁপন্থী সকলক নিৰ্বাচিত কৰিলে। মাত্ৰ তিনিমাহৰ আগতে গঠিত ফৰ্জা ইতালিয়াই, এওঁলোকৰ নেতা, ৫৭ বছৰ বয়স্ক বেৰলুছকনি হ'ল এক বিশাল প্ৰচাৰ-অধিকৰ্তা, আমেৰিকাৰ পাছত বৃহত্তম টি. ভি. নেটওৱাৰ্ক থকা ইউৰোপৰ বৃহত্তম প্ৰকাশন-সংস্থাৰ অধিপতি আৰু বিশ্বৰ অন্যতম ধনী ব্যক্তি। এওঁক 'নতুন য়ুলিউছ কায়েছাৰ' বা 'নতুন ছিজাৰ' বুলি ইতালীয় জনসাধাৰণে যে কয়—বোধকৰোঁ এনেয়ে নকয়।

মনে-খনা পুখুৰী

পো তিনিটিৰ দুটি ভাল, এটিহে হ'লগৈ 'কাল'। ইটিয়েই কেৱল দিনে-নিশাই টলৌ টলৌ ঘূৰে, টাংগুটি বাই ফুৰে। ইটিৰ নাম জগৰনাথ. তাৰ গতি-গোত্ৰ চাই দেউতাক বিশ্বনাথৰ মূৰত হাত। আন দুটিয়ে—দণ্ডনাথ আৰু আত্মনাথেও ইটো-সিটো কৰে. ঘৰত দিয়ন-থওন বা ঘৰৰ ই-সি কামত হাত উজান—সকলোতে আছে। কেৱল এই জগন্নাথটো যে— ! একেবাৰে আমৰ গছত ডাব-নাৰিকল. তামোলৰ গছত বেল আৰু সদায় যে তাৰ এন্দুৰৰ গাঁতত মেল! এনেয়ে তাৰ নামটো জগন্নাথৰপৰা 'জগৰনাথ' হ'লগৈনে ?

আৰু—কেনে আচৰিত কাণ্ড! সিদিনা —গাঁৱৰে শিৱদাসে বিশ্বনাথক ক'লে : আমাৰ মাকণক তোমাৰ জগৰনাথকে দিম বুলি খাটাং কৰিলোঁ. তুমি পিছে—নহয় বুলি নক'বা। ল'ৰাটি তোমাৰ ভালেই—বাস্তৱবুদ্ধিত চোকা. মগজুও পকা।

কিন্তু বয়সিয়াল বিশ্বনাথে জানে—নদীয়ালে বিচাৰে মাছ থকা নৈ আৰু তিৰিয়ে বিচাৰে ধন থকা পৈ। ইপিনে জগৰনাথৰ জেপ উদি নহয়, জেপ নায়েই !

বিশ্বনাথৰ কথা শুনি শিৱদাসে ক'লে, "কাম এটা নকৰা কিয়—তাক তুমি বেদবন আশ্ৰমলৈ—গুৰুমহাৰাজ শ্ৰদ্ধানন্দৰ ওচৰলৈ নপঠোৱা কিয় ? চাবা, এবছৰতে তোমাৰ ল'ৰাটো চোকাৰো চোকাৰো চোকা বাটে:টাকাটো হৈ ঘূৰিব। তোমাৰ ল'ৰাটোৱে প্ৰমাণ কৰিব যে—গুৰুতকৈ সিচ সিয়ান খুচৰি খুচৰি লয় গিয়ান।"

"তথাপি—" বিশ্বনাথে যেনিবা নিজক

ৰমনীমোহন শৰ্মা



কোৱাদিয়েই ক'লে. "গাঁঠিত নাই ধন. কইল্লি কি হ'ব বিয়াৰ মন— ?"

কিন্তু তথাপি—শিৱদাসৰ এই কথাটো বিশ্বনাথে দলিয়াই নেপেলালে। বিশ্বনাথে কিছু-কিঞ্চিত ভবা-গুণাৰ অন্তত তাক—জগৰনাথক—শ্ৰদ্ধানন্দ গুৰুৰ আশ্ৰম 'বেদবন'লৈ লৈ গ'ল আৰু পুতেকৰ বিষয়ে সকলো কথা ভাঙি-পাতি কৈ গ'ল।

"তোমাৰ কথাৰপৰা বুজ পাইছোঁ যে—তোমাৰ পুত্ৰৰ প্ৰকৃত বাস্তৱজ্ঞান আছে। কিয়নো—সি টাংগুটি বাই ফুৰা সত্বেও যাৰ যি যেনেকুৱা কাম কৰিলে নাম হয় আৰু দাম পায়—কৰে সি। যি কি নহওক—মোৰ আশ্ৰমৰ প্ৰৱেশ-পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰে যদি সি—সকলো হৈ যাব। আৰু যদি প্ৰৱেশ-পৰীক্ষা নিদিয়াকৈ পোনে পোনেই ইয়াত নাম লগাব লাগে—দুটি হেজাৰ মূদ্ৰা লাগিব। তাৰ শিক্ষা সমাপ্ত হওঁতে কিমান দিন লাগিব—সেয়া তাৰ খেজমতৰ ওপৰত নিৰ্ভৰ।"

বিশ্বনাথে মূদ্ৰা লৈয়েই ওলাইছিল. তেতিয়াই মুদ্ৰা দুহেজাৰ গুৰুক দিলে আৰু পুতেক জগৰনাথক তাত থৈ—ঘৰলৈ বুলি থৰক-বৰক খোজ ল'লে।

দেউতাক গুচি যোৱাৰ অন্তত ভগৰনাথে মহাগুৰু শ্ৰদ্ধানন্দক ক'লে, "গুৰুদেৱ ! দেউতাৰ মুদ্ৰাৰ বলেৰে নহয়. মই মোৰ বুদ্ধিৰ বলেৰে আপনাৰ শিষ্যত্ব পাবলৈ বিচাৰোঁ। অনুগ্ৰহ কৰি আপুনি মোৰ পৰীক্ষা লওক।"

"তোমাৰ পৰীক্ষা—তোমাৰ এই সাহসিক তথা যথাৰ্থ-উক্তিৰেপৰাই লোৱা হৈ গ'ল।" গুৰুৱে ক'লে, "তোমাক মই মোৰ অন্তৰৰ শিষ্য হিচাপে আজিৰেপৰাই গ্ৰহণ কৰিলোঁ "

গুৰুৰ আশ্ৰমত — চাওঁতে চাওঁতে ছমাহ-পাৰ হৈ গ'ল. ইতিমধ্যে—তাত গুৰুৰ অনেক শিষ্যৰ অন্যতম মদনৰ সৈতে জগৰনাথৰ প্ৰগাঢ় বন্ধুত্ব হ'ল।

এদিন মদনে জগন্নাথক ক'লে, "বহু বিষয়ত— তুমি — যদিও ক'ব নাপায়, তথাপি কওঁ — আমাৰ গুৰুদেৱতকৈও আগবঢ়া যেন লাগে। যিবোৰ বিষয় গুৰুদেৱে এদিনো শিকোৱা নাই, তুমি নিজৰ বুদ্ধিৰ বলেৰেই তেনেবোৰ বিষয় সমাধা কৰা আমাৰ চকুত পৰিছে। এইবোৰ আমাৰদ্বাৰা নহৈছে।"



"মোৰ মাজত থকা সাংসাৰিক জ্ঞান অৱশ্যে গুৰুদেৱে শিকোৱা নাই মোক। কিন্তু তথাপি —"

মদনে হাত দাঙি জগন্নাথক ৰখালে আৰু ক'লে, "ৰ'বা। তোমাৰ দেউতাৰাই গুৰুদেৱক দিলে দুহেজাৰ, আৰু মোৰ দেউতাই — মুঠেই পাঁচশ। গতিকে — তোমাৰ আৰু মোৰ প্ৰতি গুৰুৰ শিক্ষাধাৰা একেই নহ'বও পাৰে।"

শ্ৰদ্ধানন্দ গুৰুৰ শিক্ষাধাৰা আছিল প্ৰচলিত শিক্ষাধাৰাৰ বিপৰীত। যেনে— কেনেকৈ পৰ্বত বগাব লাগে, মালযুঁজ কেনেকৈ কি কি কৌশলেৰে কৰিব লাগে, কেনেকৈ সাগৰত সাঁতুৰিব লাগে— প্ৰত্যক্ষভাবে নহয়, মৌখিক পাঠেৰেহে বুজাই দিয়ে তেওঁ। শ্ৰদ্ধানন্দ গুৰু তেওঁৰ 'বেদবন' আশ্ৰমৰ বাহিৰলৈ নাযায়, কিয়নো, বেছি দূৰলৈ খোজ কাঢ়ি থাকিলে হেনো তেওঁৰ ভৰি বিষায়। তেওঁৰ মতেঃ দেহক অধিক কষ্ট দিয়াটো অৰ্থহীন, যি কাম মুখৰ মেহাৰেৰে কৰিব পাৰি, সেই কামৰ বাবে বাক্-যুদ্ধও অৰ্থহীন — ইত্যাদি।

কেতিয়াবা জগন্নাথে ভাবেঃ এনেহেন গুৰুৰপৰা কিনো শিকিবলগীয়া আছে? তেওঁ 'হাতে-কামে' আজিপৰ্য্যন্ত একোৱেই শিকোৱা নাই আৰু যিমানদূৰ বুজিছোঁ— শিকাব তেওঁ নোৱাৰে। গতিকে— প্ৰত্যক্ষভাবে একো নিশিকাকৈ ৰজাৰ অধীনত কাম-কাজ পোৱাৰো আশা নেদেখিছোঁ। গতিকেই—ইয়াত থলি পুতি বহি থকাৰো কোনো অৰ্থ নাই।



ঠিক তেতিয়াই ৰাজধানীৰপৰা প্ৰদীপ নামৰ এজন যুৱক বেদবনলৈ আহিল—গুৰু শ্ৰদ্ধানন্দক নিমন্ত্ৰণ কৰিবলৈ।

প্ৰদীপ আছিল শ্ৰদ্ধানন্দৰ ছাত্ৰ তথা শিষ্য। এবছৰ আশ্ৰমত তাৰ গুৰুৰ ওচৰত আছিল সি। তাৰ পাছত প্ৰদীপে ৰাজ-দৰবাৰত কাম পালে আৰু তাত সি সুখ্যাতিও পালে বৰ। মহাৰাজে ৰাজ-দৰবাৰত তাৰ গুণৰ শলাগ ল'ব। সেইহে প্ৰদীপে তাৰ গুৰু শ্ৰদ্ধানন্দকো তালৈ লৈ লৈ যাবলৈ আহিছে।

মহাৰাজে প্ৰদীপৰ গুণৰ শলাগ লৈ তাক দহ হাজাৰ মুদ্ৰা উপহাৰস্বৰূপে দিলে, ৰাজকবিৰদ্বাৰা প্ৰদীপৰ গুণৰ বিষয়ে কবিতা লিখোৱালে আৰু তাৰ সন্মানাৰ্থে ৰাজ-নৰ্তকীয়ে নৃত্য প্ৰদৰ্শন কৰি সকলোকে প্ৰচুৰ আনন্দ প্ৰদান কৰিলে।

প্ৰদীপে তাৰ গুৰুদেৱ শ্ৰদ্ধানন্দক মঞ্চোপৰি উঠাই ল'লে আৰু তাত গুৰুৰ পদধূলা লোৱাৰ অন্তত দৰ্শক-ৰাইজক ক'লে, "মোৰ আজিৰ এই ৰাজ-সন্মান—প্ৰকৃতপক্ষে মোৰ গুৰুদেৱৰহে প্ৰাপ্য।"

গুৰুদেৱ শ্ৰদ্ধানন্দই ক'লে, "মোৰ মৰমৰ ছাত্ৰ তথা শিষ্য প্ৰদীপে আজি যি সন্মান লভিলে, সেই মহাসন্মানৰ যোগ্যতা—তাৰ মাজত মই প্ৰথম দিনৰেপৰাই দেখা পাইছিলোঁ। তাৰ সন্মান প্ৰাপ্তিৰ বাবে মই গৌৰৱান্বিত।"

গুৰু শ্ৰদ্ধানন্দৰ এই কথাত মদন আৰু জগন্নাথেও বৰ ভাল পালে। গুৰুৱে সিহঁত দুজনকো লগত লৈ আহিছিল।

জগন্নাথে তাৰ কাষত বহি থকা মদনক ক'লে, "বুজিছা মদন, মোকো গুৰুদেৱে প্ৰথমদিনাই এনেকুৱা কথা কৈছিল। কৈছিল : তুমি পাৰিবা, তোমাৰ মাজত গুণ আছে। কিন্তু এবছৰ পাৰ হওঁ হওঁ হ'ল। ইয়াত আৰু কিমান বছৰ থাকিব লাগিব— ক'ব নোৱাৰোঁ। প্ৰদীপ বুদ্ধিমান আছিল, এবছৰতে তাৰ গত

লাগিল। মোৰ যে কি হ'ব—।"

জগন্নাথ বৰ চিন্তাত পৰা যেন হ'ল।

পাছদিনা স্বয়ং মহাৰাজ বেদবনলৈ আহিল আৰু তেওঁ তেওঁৰ কোষাধ্যক্ষৰ কামৰ বাবে শ্ৰদ্ধানন্দৰপৰা প্ৰদীপৰ দৰে যুৱা এজনক খোজাত শ্ৰদ্ধানন্দই জগন্নাথলৈ চালে।

জগন্নাথে ঘপ্‌কৈ কৈ উঠিল, "মোৰ ধাৰণা, গুৰুদেৱৰ ওচৰত মোৰ শিক্ষাগ্ৰহণ সমাপ্ত হ'ল। গুৰুদেৱে মোক অনুমতি দিয়ে যদি—মই মহাৰাজৰ কোষাধ্যক্ষৰ কাম নিশ্চয় কৰিব পাৰিম।"

শ্ৰদ্ধানন্দই ক'লে, "পাৰিবা, তুমি পাৰিবা। আৰু—এদিন তুমিও ৰাজ-সন্মানৰ অধিকাৰী হ'বা। তেতিয়া মোক পাহৰি নাথাকিবা যেন—।"

জগন্নাথে গুৰুদেৱ শ্ৰদ্ধানন্দক সাষ্টাংগে প্ৰণাম কৰাৰ অন্তত মহাৰাজকো কৰ যুৰি প্ৰণাম কৰিলে।

মদনে জগন্নাথক একাষৰীয়াকৈ মাতি নিলে আৰু তাক ক'লে, "আমাৰ গুৰুদেৱৰ পক্ষপাতিতালৈ মন কৰিছানে? তোমাৰ দেউতাৰাই দুহেজাৰ দিয়াত তুমি তৰিলা, কিন্তু মোৰ দেউতাই মাত্ৰ পাঁচশ দিয়াত মই মৰিলোঁ।"

জগন্নাথে মদনক ক'লে, "বন্ধু, তুমি ভুলহে বুজিলা। আচলতে আমাৰ গুৰুদেৱে আমাক—সকলোকেই একেই

সমান শিক্ষা দিয়ে। তেওঁৰ শিক্ষা-পদ্ধতিৰ মাজত আছে গভীৰ ৰহস্য। আমি পাঠ্য-পুথিৰপৰা যি শিকোঁ-যিমানেই শিকোঁ—সঠিক উপলব্ধিৰ তথা সঠিক জ্ঞানৰ অভাৱত সেইবোৰ শিক্ষাগত বিষয় জীৱনত প্ৰয়োগ বা কাৰ্য্যকৰী কৰি তুলিব নোৱাৰোঁ। শিক্ষা পায়ো—পৰ্বত বগাব নোৱাৰোঁ, সাগৰত সাঁতোৰাৰ কথা কল্পনাও কৰিব নোৱাৰোঁ, যুদ্ধ বা মল্লযুদ্ধ কৰিব নোৱাৰোঁ। কিয়নো — আমি কিতপীয়া শিক্ষা লওঁ শ্ৰেণীত উত্তীৰ্ণ হবৰ বাবেহে, জীৱনত উত্তীৰ্ণ হ'বৰ বাবে নহয়। কিন্তু—আমাৰ গুৰুদেৱৰ শিক্ষা-দানৰ অন্তৰ্নিহিত ৰহস্য হ'ল—জীৱনত প্ৰয়োগৰ বাবে বিশ্বাস্যভাবে উপলব্ধিৰ শিক্ষা। নহ'লে—অন্যান্য শিক্ষাৰ সৈতে—গুৰুদেৱে আমাৰ ৰান্ধন-বাঢ়নৰ শিক্ষাও নিশ্চয় নিদিলেহেঁতেন, এবছৰ শিক্ষাৰ অন্তত পুনৰ সেই একেইবোৰ শিক্ষা নিদিলেহেঁতেন। 'শিক্ষা সমাপ্ত হ'ল' বুলি গুৰুদেৱে নিজে তেওঁ ছাত্ৰহঁতক নকয়, সেই কথা ছাত্ৰহঁতেহে নিজে উপলব্ধি কৰিব লাগে, আৰু শিক্ষাৰ অন্তত নিজেই বিদায় ল'ব লাগে। যিজন শিক্ষাৰ গুণত প্ৰকৃততেই কৰ্মদক্ষ হৈ উঠে, সেইজনে বাৰু কৰ্মবিমুখ হৈ এলাহতে দিন কটাব পাৰেনে ?"

জগন্নাথৰ তীক্ষ্ণ বুদ্ধিৰ তথা গুৰুদেৱৰ শিক্ষা-পদ্ধতিৰ বিশ্লেষণৰ প্ৰশংসা কৰি মদনে ক'লে, "এতিয়াহে বুজিলোঁ:—ত্ৰুটি গুৰুৰ বা শিক্ষাৰ নহয়, ত্ৰুটি আচলতে আমাৰহে। মোৰো পৃথিৱীৰ বাস্তৱ মাটিত খোজ দিয়াৰ মন আৰু সময় হ'ল।"

জগন্নাথে-ৰাজদৰবাৰৰ কামত যথেষ্ট উন্নতি সাধি এদিন সন্মানৰ উচ্চশিখৰত উঠিছিল আৰু সেই শিৱদাসৰ জীয়ৰী মাকণক বিয়া কৰাই মনে-খনা পুথুৰীতে পানী খাবলৈ পাইছিল !

বিচিত্ৰ কণ্ঠহাৰ

১

তেতিয়া কোশল ৰাজ্যত ৰজা সুসেন-বৰ্মাদেৱৰ ৰাজত্ব। জয়সেন আছিল তেওঁৰ পৰম বন্ধু। মাত্ৰবন্ধু বুলিলে বৰ কমকৈহে কোৱা হয়, জয়সেন আছিল মহাৰাজ সুসেনৰ উপদেষ্টা। কি শাসন-বিষয়ক, কি পৰৰাজ্য-বিষয়ক কি পাৰিবাৰিক—সকলো ক্ষুদ্ৰ-বৃহত বিষয়তেই মহাৰাজ সুসেনৰ বাবে জয়সেনৰ উপদেশ আছিল আৱশ্যকীয় তথা অপৰিহাৰ্য্য. পিছে — জয়সেনে এনেবোৰ উপদেশ বা দিহা-পৰামৰ্শ মহাৰাজক ৰাজদৰবাৰত নিদিছিল, দিছিল মহাৰাজে যেতিয়া দবা খেলে তেওঁৰ সৈতে —তেতিয়াহে। তেতিয়া তাত কোনো মন্ত্ৰী সেনাপতি পাৰিষদ আদি আন কোনো-কেও একেবাৰে নাথাকে।

এদিন, অন্যান্য অনেক দিনৰ দৰেই, মহাৰাজক দবা খেলাত জয়সেনে হাৰুৱালে আৰু ক'লে, "মই তোমাক পৰাস্ত কৰি বৰ আনন্দ নাপাওঁ। কিন্তু মোৰ ছোৱালী জনীয়ে মোক যেতিয়া দবাখেলত পৰাস্ত কৰে, তেতিয়া তাইৰ হাতত পৰাস্ত হোৱা সত্বেও মই আনন্দিত বোধ কৰোঁ।"

জয়সেনৰ একমাত্ৰ ছোৱালীজনীৰ নাম আছিল কীৰ্তিসেনা। কীৰ্তিসেনা ৰূপে-গুণে শিক্ষাই-অভিজাত্যে অতুলনীয়। এই কথা মহাৰাজ সুসেনেও নজনা নহয়, কিন্তু ক'লে, "হয়নে — ? তুমি কিন্তু — আমাৰ কীৰ্তিসেনাই দবা খেলে বুলি

'ঘাট-পৰীক্ষা'

কদাপি মোক কোৱা নাছিলা। তাই—সঁচাকৈয়েই বাৰু দবাখেলত পাৰদৰ্শীনে ?"

"কথাৰে কি হ'ব, এহাত-দুহাত খেলি চালেহে হ'ব।" জয়সেনে ক'লে।

"ঠিক আছে—" মহাৰাজ সুসেনে ক'লে, "তাইৰ সৈতে এহাত খেলিবলৈ কালিলৈ তোমালোকৰ ঘৰলৈ যাম মই।"

পাছদিনা, আবেলিপৰতে, মহাৰাজ জয়সেনৰ ঘৰলৈ গ'ল, আৰু প্ৰাথমিক সৌজন্যমূলক কথা-বাৰ্তাৰ অন্তত কীৰ্তিসেনাৰ সৈতে দবা খেলিবলৈ ল'লে।

কীৰ্তিসেনাই মহাৰাজক প্ৰথম, দ্বিতীয় আনকি—তৃতীয়বাৰতো যেতিয়া সহজেই পৰাস্ত কৰিলে, আৰু এনে এক অভাৱনীয় অৱস্থাতো যেতিয়া চতুৰ্থবাৰৰ বাবে খেলাৰ যো-জা চলি থাকিল, তেতিয়া বুদ্ধিমান জয়সেনে জীয়েকক ক'লেহি, "কীৰ্তি, আহাৰৰ সময় হৈছে। এতিয়া আৰু খেলিব নাপায়, আহাৰৰ বন্দবস্ত ঠিকঠাক কৰাগৈ যোৱা।"

কীৰ্তিসেনা ঘৰৰ ভিতৰলৈ গ'ল। তেতিয়া মহাৰাজে ম্লান হাঁহিৰে ক'লে, "জয়, তোমাৰ ছোৱালীজনী যে প্ৰকৃততেই গুণৱতী, সন্দেহ নাই। তাইৰ সৈতে মই আকৌ কেতিয়াবা খেলিবলৈ আহিম।"

এনেতে কীৰ্তিসেনা পুনৰ তালৈ আহিল আৰু ক'লে, "মহাৰাজ! দয়া কৰি আমাৰ গৃহত অন্নহাৰ গ্ৰহণ কৰক আৰু আমাক বাধিত কৰক।" কীৰ্তিসেনাই মহাৰাজক অতি সম্ভ্ৰান্ত ভাবে ভোজনকক্ষলৈ আগবঢ়াই লৈ গ'ল।

আহাৰ কৰি থাকোঁতে কথাই কথাই মহাৰাজ সুসেনে তেওঁৰ বন্ধু জয়সেনক ক'লে, "তোমাৰ ছোৱালীজনী ল'ৰা-হোৱাহেঁতেন হয়তো কিবা অক্ষয় কীৰ্তিৰ অধিকাৰী হ'লহেঁতেন !"

"ধন্যবাদ!" জয়সেনে ক'লে, তাই অস্ত্ৰবিদ্যাতো দবাখেলৰ দৰেই পাৰদৰ্শী—এই নোকোৱা কথাটো আজি কওঁ। তাই

ছোৱালী ঠিকেই—কিন্তু বহু যুৱায়েই তাইৰ আগত হোঁহকা দিব।"

"হয়নে —?" মহাৰাজৰ যেতিবা আত্মাভিমান আহত হ'ল, "তাই—আমাৰ ল'ৰাটোক— ৰাজকোঁৱৰ কীৰ্তিবৰ্মাক পৰাস্ত কৰিব পাৰিব বুলি ভাবানে?

জয়সেনে যেনিবা থতমত খালে। জয়সেনে মহাৰাজ সুসেনৰ এই কথাৰ উত্তৰ নিদিলে। তেতিয়া মহাৰাজ সুসেনে ক'লে, "ঠিক আছে, জয়, মই আকৌ এবাৰ তোমাৰ ছোৱালীজনীৰ পৰীক্ষা ল'ম। আৰু—সেই পৰীক্ষাতো যদি তাই বিজয়ী হয়, তেনেহ'লে—মই কথা দিছোঁ তাইৰ বিবাহৰ বাবে মই নিজেই যথোচিত বন্দবস্ত কৰিম — কোনোবা ৰাজপুত্ৰ-মন্ত্ৰীপুত্ৰৰ সৈতে যোৱা পাতিম।"

মহাৰাজৰ কথাত জয়সেনে ভালেই পালে। কিন্তু—তেওঁ যে তাইৰ কি-পৰীক্ষা কেনে-পৰীক্ষা ল'ব — ভাবি নাপালে।

মহাৰাজে ক'লে, "আমাৰ কীৰ্তিবৰ্মা যে মহামুনি কৃষ্ণচন্দ্ৰৰ গুৰুকুলত শিক্ষা গ্ৰহণ কৰি আছিল, তুমি জানাই। তাৰ শিক্ষা সমাপ্ত হ'ল, আৰু অহা পূৰ্ণিমাৰ দিনা সি গুৰুকুলৰপৰা অকলেই প্ৰাসাদলৈ আহিব। বাটত চুপি থাকি তোমাৰ ছোৱালীজনীয়ে যদি তাক তিনিদিনলৈ আমাৰ সেই শক্তি-মন্দিৰত আটক কৰি ৰাখিব পাৰে, তেনেহ'লে—তাৰে সৈতে তাইৰ যোৱা পাতিম। কিন্তু এই কাৰ্য্যত তাই আন কাৰোবাৰপৰা কোনোবিধৰ তাইৰ সহায় ল'ব নোৱাৰিব আৰু—কীৰ্তিবৰ্মা যাতে মন্দিৰৰপৰা পলাই যাব নোৱাৰে তাৰ ব্যৱস্থাও কেৱল তায়েইহে কৰিব লাগিব।"

জয়সেনে কি ক'ব-কি নক'ব ভাবি উলিয়াব নোৱাৰিলে। তেতিয়া মহাৰাজে কীৰ্তিসেনাক মাতিবলৈ কোৱাত জয়সেনে তাইক মাতিলে আৰু তাই তৎক্ষণাৎ তালৈ আহিল। তাৰ পাছত—মহাৰাজে তাইক



এই খিনি কথা বুজাই ক'লে আৰু কিঞ্চিত ব্যংগাত্মকভাবেই সুধিলে, "তুমি এইটি কৰ্মও নিশ্চয় হেলাৰঙেই পাৰিবা ?"

"পাৰিম যেনেই লাগিছে, মহাৰাজ !" কীৰ্তিসেনেই সম্ভ্ৰমপূৰ্ণভাবে ক'লে.।

শুনি — জয়সেনে যেনিবা নিজৰ কাণদুখনকে৷ বিশ্বাস কৰিব নোৱাৰিলে। তাই—যথেষ্ট বুদ্ধিমতী তথা সাহসীও। কিন্তু সেই বুলি ইমান কঠিন •কাম—

ইতিমধ্যে মহাৰাজ সুসেন তাৰপৰা গৈ ছিল গৈ। .কীৰ্তিসেনাই তাইৰ দেউতাকক ক'লে, "দেউতা, মোৰ ওপৰত আস্থা ৰাখক, মই নিশ্চয়েই এই পৰীক্ষাত সন্মানৰে সৈতে উত্তীৰ্ণ হম।"

জীয়েকৰ কথাত জয়সেনে বুকুত বল-শক্তি ঘূৰাই পালে আৰু ক'লে, "তুমি মহাৰাজৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিলাই, গতিকে—আস্থা ৰাখিবই লাগিব। যি কি নহওক—তুমি হয়তো ৰাজকোঁৱৰ কীৰ্তিবৰ্মাৰ বিষয়ে সিমান একোৱেই নাজানা। কীৰ্তিবৰ্মা হ'ল মহামুনি কৃষ্ণচন্দ্ৰৰ সৰ্বশ্ৰেষ্ঠ তথা সৰ্ববিদ্যা-বিশাৰদ শিষ্য। কেৱল ৰাজনীতিতেই নহয়, যুদ্ধবিদ্যাতো ৰাজকোঁৱৰ নিপুণ। যুদ্ধবিদ্যাত ৰাজকোঁৱৰক পৰাস্ত কৰিব পৰা কোনো অদ্যাপি ওলোৱা নাই। গতিকে —ৰাজকোঁৱৰক শক্তিমন্দিৰত তিনিদিনলৈ বন্দী কৰি ৰখাটো—বৰ সহজ নহ'ব। আৰু—যিস্থলত তুমি অকলেই এই কাম কৰিব লাগিব। এনে কঠিন তথা বিচিত্ৰ পৰীক্ষাত তুমি বিজয়ী হ'বা যে—মই ভাবিবই পৰা নাই।" জয়সেনে দীঘল হুমুনিয়াহৰে ক'লে।

"কিন্তু এনে এক অদ্ভুত ঘট-পৰীক্ষাৰ হেতুনো কি, দেউতা ?"

জীয়েকৰ প্ৰশ্নৰ উত্তৰত জয়সেনে ক'লে,"—দোষ মোৰেই, কীৰ্তি আই ! তোমাৰ গুণৰ কথা কওঁতে কিজানি মই কিছু অসংযত হৈ পৰিছিলোঁ, আৰু

মোৰ কথাত মহাৰাজৰ আত্মাভিমান কিজানি আহত হ'ল।"

"মোৰো ধাৰণা—তেনেকুৱা কিবাহে হৈছে।" কীৰ্তিসেনাই ক'লে, "কোনেও কাৰো ক্ষমতা বা গুণৰো বৰাই কৰা উচিত নহয়। সম্ভৱতঃ সেইকাৰণেই মহাৰাজে মোক এনে বিচিত্ৰ-কঠিন পৰীক্ষাৰ মাজত পেলালে!"

"যি কি নহওক, তুমি মহাৰাজৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি মোৰ মনৰক্ষা-মানৰক্ষা কৰিলা। এতিয়া—মই যি কাহিনী তোমাক ক'ম, মনপুতি শুনা।"

তাৰ পাছত জয়সেনে এই ঘটনাৰ পাতনি হিচাপে সংক্ষিপ্তভাবে ক'লে যে—তেওঁ আৰু মহাৰাজ সুসেন কেনেকৈ বন্ধু হ'ল। জয়সেনে কৈ থাকিল:

'ঠিক আমাৰ দৰেই, আমাৰ উভয়ৰে উপৰিপুৰুষসকলো বন্ধুত্বৰ ডোলেৰে আবদ্ধ আছিল। মোৰ ককাৰ নাম আছিল বিজয়সেন। তেওঁ শিল্পকলাত, আৰু বিশেষকৈ জাদুবিদ্যাত আছিল পাৰদৰ্শী। তেওঁৰ কালত—তেওঁৰ কাষ চাপিব পৰা কোনো জাদুবিদ্যাবিদ এইখন দেশত বা অন্যদেশতো নাছিল।

'তেতিয়া এই কোশলৰাজ্যৰ ৰজা আছিল বৰ্তমান মহাৰাজ সুসেনৰ ককাক বিচিত্ৰবৰ্মাদেউ। তেওঁৰো জাদুবিদ্যালৈ ৰাপ আছিল অত্যধিক। জাদুবিদ্যা

বাদেও — বশীকৰণ, সন্মোহন আদি বিদ্যাতো তেওঁ তেনেই উৎসুক তথা পাৰদৰ্শী আছিল। এইবোৰ বিদ্যায়েই উভয় পক্ষক ওচৰ-সম্পৰ্কীয় কৰি তুলিছিল আৰু এইদৰেই মোৰ ককা তেতিয়াৰ মহাৰাজৰ গুপ্ত পৰামৰ্শদাতা তথা অতি বিশ্বস্ত বন্ধু হৈ উঠিছিল। মহাৰাজে যেতিয়া দেখিলে যে মোৰ ককাও এইবোৰ বিদ্যাত আগ্ৰহী আৰু পাৰদৰ্শী তেতিয়া মহাৰাজ বিচিত্ৰবৰ্মাদেৱে মোৰ ককাক কেৱল কামত নিযুক্ত নকৰি তেওঁৰ সৈতে বন্ধুত্বও স্থাপন কৰিছিল।

'এই জাদুশক্তিৰ শক্তিৰে মহাৰাজ চিত্ৰবৰ্মা আৰু মোৰ ককা বিজয়সেনে ৰাজ্যৰ ইমূৰৰপৰা সিমূৰলৈ পৰিভ্ৰমণ কৰি চোৰ-ডকাইত লুণ্ঠনকাৰী আদিক হাতে-লুটে ধৰিছিল, লুণ্ঠিত-অপহৃত বস্তু উদ্ধাৰ কৰিছিল আৰু ৰাজ্যত ক্ৰমবৰ্দ্ধমান চুৰি-ডকাইতি বন্ধ কৰিব পাৰিছিল। চোৰ-ডকাইতবিলাকক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰা হৈছিল আৰু সমগ্ৰ কোশল ৰাজ্যত শান্তিৰ বা' বলিছিল।

'ইতিমধ্যে, মহাৰাজৰ জন্মদিনত, মোৰ ককা বিজয়সেনে মহাৰাজলৈ এক বিশেষ উপহাৰ প্ৰদান কৰিলে। এই উপহাৰ আছিল—এধাৰ মুক্তাৰ কণ্ঠহাৰ—আৰু এই কণ্ঠহাৰৰ মাজত আছিল অভাৱিত জাদু-শক্তি। এই বিচিত্ৰ কণ্ঠহাৰ আছিল মূল্যৱান ৰত্ন-খচিত। এই কণ্ঠমালা যিজনৰ কণ্ঠত থাকিব, সেইজন অদৃশ্য হৈ কৈছেনে থাকিব পাৰিব কোনোবাই সঁচা কথা মিছা কথা কৈছে—সেইজনে অতি সহজেই তাৰ ভেদ উলিয়াব পাৰিব, আৰু তৃতীয়তঃ—এই কণ্ঠহাৰধাৰীয়ে ভূগৰ্ভত পুতি থোৱা গুপ্তধন অতি সহজেই বিচাৰি উলিয়াব পাৰিব।

'এনে এক বিচিত্ৰ ৰহস্যময় কণ্ঠহাৰ উপহাৰ হিচাপে পাই মহাৰাজ বিচিত্ৰ-বৰ্মাদেৱ আনন্দত মছগুল হৈ পৰিল।

এদিন তেওঁ চিকাৰলৈ ওলাল আৰু সেই বিচিত্ৰ কণ্ঠহাৰডাল পিন্ধিলে। অসুস্থ হৈ থকাত, সেইদিনা মোৰ ককাদেউ বিজয়সেন মহাৰাজৰ সৈতে চিকাৰলৈ ওলাব নোৱৰা হ'ল, তেওঁ ৰাজধানীতে থাকিল।

গোটেই দিন ধৰি চিকাৰ চলি থাকিল আৰু ৰাতিৰ পৰতে তম্বু তৰি সকলোটিয়েই জিৰণি ল'লে, কেৱল প্ৰহৰীহঁত আৰু স্বয়ং মহাৰাজ সাৰে থাকিল।

যেতিয়া সকলোটি টোপনিত লাল-কাল, তেতিয়া—মহাৰাজ বিচিত্ৰবৰ্মাদেৱে কিছুমান প্ৰহৰীক তেওঁৰ লগত ল'লে আৰু অলপ গৈ গৈ অৰণ্যৰ সোঁমাজত এঠাইলৈ গ প্ৰহৰীহঁতক ক'লে, "এই ঠাইডোখৰ খান্দা!"

'মুহূৰ্ততে প্ৰহৰীহঁতে সিহঁতৰ হাতত থকা জোঁৰবোৰ জ্বলালে আৰু ঠাইডোখৰ দিনৰ পোহৰহেন পোহৰ হৈ পৰিল।

প্ৰহৰীহঁতে ঠাইডোখৰ খান্দিৰ থাকিল —খান্দিয়েই থাকিল। ৰাতি পুৱাল, তথাপি খন্দাৰ কাম চলি থাকিল। প্ৰায় দুপৰীয়াৰ পৰতে মাটিৰ বহু তলৰপৰা এটা মূৰ্তি ওলাল আৰু মহাৰাজে মূৰ্তিটোক ৰাজধানীলৈ লৈ যাবলৈ আদেশ দিলে।

'কিন্তু তেওঁৰ মহামন্ত্ৰী প্ৰহ্লাদে যেতিয়া তেওঁক সাৱধান কৰি বুজাই ক'লে যে—ৰাজধানীলৈ লৈ যোৱাৰ আগতে কোনো মূৰ্তি-বিশেষজ্ঞক এই বিষয়ে সুধি চোৱা ভাল — মহাৰাজ মহামন্ত্ৰীৰ উপদেশত সন্মত হ'ল আৰু মূৰ্তিটোক কটকটীয়া পহৰাৰ মাজত এৰি থৈ অনিচ্ছাসত্বেও পুনৰ ৰাজধানীলৈ উভতি গ'ল।

কীৰ্তিসেনাই এটি প্ৰশ্নও নকৰাকৈ তাইৰ দেউতাক জয়সেন-বৰ্ণিত কাহিনী শুনিলে আৰু মহাৰাজ সুসেনৰ সেই অভাৱিত প্ৰত্যাহ্বানৰ যথাযোগ্য উত্তৰ দিবলৈ মনত দৃঢ় প্ৰতিজ্ঞা ল'লে। [আগলৈ

মন্ত্ৰ আৰু মানৱ

তথাপি প্ৰতিজ্ঞাৱদ্ধ বিক্ৰমাদিত্য নদমিল। তেওঁৰ পুনৰ গছৰ ডালৰপৰা সেই শ'টো নমাই আনি, কান্ধত পেলাই লৈ, ঘোৰ আউসীৰ এন্ধাৰৰ মাজেদি শ্মশানলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা! তোমাৰ অভাৰিত ধৈৰ্য্য প্ৰশংসনীয়; কিন্তু বুদ্ধি প্ৰশংসনীয় হয়নে নহয় — সেই কথা ভ[illegible]ৰিব [illegible] প্ৰম[illegible] ক[illegible]ৰিব। কেতিয়াবা সূচীমুখ সততাও যে ব্যৰ্থতালৈ পৰ্য্যৱসিত হয়, কৰি-ধৰিও যে গৰীয়া নাম ল'ব লাগে কেতিয়াবা, সেই কথা জানিবলৈ তোমাৰ বাকী আছে। এই বিষয়ে মই তোমাক কুমুদ নামৰ বুদ্ধিমন্ত এগৰাকীৰ কাহিনী ক'ম, যি কুমুদ-কাহিনীয়ে তোমাৰ পথশ্ৰম লাঘৱ কৰাৰ উপৰিও তোমাক ভৱিষ্যৎ-চিন্তাৰ সমল যোগাব। এই বুলি কৈ, বেতালে কুমুদ-কাহিনী ক'বলৈ ধৰিলে:

'বেতাল-কথা'

তেতিয়া ত্রিপুৰ ৰাজ্যৰ ৰজা আছিল সুমন্তদেৱ। কিন্তু তেওঁ আছিল দুৰ্বলচিত্ত ধৰ্মভীৰুবিধৰ ৰজা। ৰজাৰ ধৰ্মভীৰুতাৰ সুবিধা লৈ ৰাজকৰ্মচাৰীইঁতৰ মাজত ব্যাপক ভাবে ভেটি-ভাৰ খোৱাৰ এক অপ্ৰতিৰোধ্য প্ৰৱণতাৰ সৃষ্টি হ'ল। ঘোচ-ঘাচলি নোখোৱাকৈ কোনো ৰাজ কৰ্মচাৰীয়েই ৰাইজৰ বাবে একো কাম নকৰা হ'ল। এজন-দুজন বা দহ-বিছজন হ'লে কঠোৰতা অৱলম্বন কৰিলে দুৰ্নীতি বন্ধ হয়, কিন্তু 'আটাইবে দাঢ়ি-চুলি পকা' হ'লে কাক যে কোনে 'ককা' বুলিব—সেয়ে হয় বিষম কথা। এইক্ষেত্ৰতো কথা তেনেকুৱাই।

ৰজাই আৰু কৰে কি? ৰজাই বঢ়ালে কৰ, মৰিবি ৰাইজ মৰ। কিন্তু ৰাইজে কৰ-কাটল দিয়া সত্বেও ৰজাই নাপায়। ঘোচখোৰহঁতে সেই কৰৰ কড়িও ঘোচ খোৱাৰদৰেই খ[illegible]। ৰজাৰ ধন-ভঁৰাল সদায় উদং, সেইফালেও লুটৰ নদী।

ত্রিপুৰৰাজ্যত চন্দ্ৰাৱতী নামৰ এখন নগৰ আছিল আৰু সেই নগৰত আছিল কুমুদ নামৰ কৰাতৰ কাজী এগৰাকী। কুমুদ কেৱল বুদ্ধিমন্তয়েই নহয়, যেইকোনো জটিলৰো জটিল সমস্যাৰ সমাধানত তেওঁৰ উপস্থিত বুদ্ধিৰো অন্ত নাছিল বুলি ৰাইজে কৈছিল। দেশত—অৰ্থাৎ ত্রিপুৰ ৰাজ্যত তেতিয়া আকালেও মূৰ দাঙিছে, প্ৰজাৰ মাজত হাহাকাৰ-ৰৱ উঠিছে, আথচ দেশৰ ৰজাই হাত সাৰটি বহি আছে!

এনে অৱস্থাত কৰাতৰ কাজী কুমুদে ৰজাক লগ কৰিব বুলি ভাবি [illegible] ৰাজধানীলৈ বুলি ৰাৱণা ল'ল।

ৰাজধানী পাই—ৰাজসভাৰ দুৱাৰতে বাধা। ৰাজসভাৰ দুৱৰীয়ে ক'লে কুমুদক "কি কাৰণে মহাৰাজৰ দৰ্শন লাগে, পহিলতে মোক কোৱা।"

"দেশৰ প্ৰজা অবৰ্ণনীয় দুখকষ্টত পৰিছে—বিলৈৰ বিলৈ নোহোৱা হৈছে, কিন্তু মহাৰাজে একোৱেই কৰিব পৰা নাই

ৰাইজৰ দুৰ্দশা গুচাবলৈ। মই এই বিষয়ে মহাৰাজৰ দৃষ্টি আকৰ্ষণ কৰিম। আৰু—"

"মোকেই কোৱা. মই মহাৰাজক ক'মগৈ।" দুৱৰীয়ে কুমুদক ক'লে।

কুমুদে গহীন মাতেৰে ক'লে, "ওহোঁ, মই কেৱল মহাৰাজকহে ক'ম।"

"শুনা। ৰজা বোলা কথা —" দুৱৰীয়ে ক'লে, "ৰজাৰ দৰ্শন—ইমান উজু কাম নহয়। যেৰে-সেৰে যাতে উৎপাৎ কৰিবহি নোৱাৰে, তাৰ কাৰণেহে মই ৰজাৰ দুৱৰী। তথাপি— দৰ্শন—পাৰা তুমি পাব—। পিছে—মোক মাত্ৰ দুশটি মুদ্ৰা দিব লাগিব। তেতিয়া মই তোমাক পালি মন্ত্ৰী এজনৰ ওচৰলৈ যাবলৈ দিম, তেওঁ ল'ব চাইশ—আৰু তেওঁ তোমাক ভেজিব খাচ মন্ত্ৰিৰীলৈ—খাচে ল'ব পাঁচ —আৰু তেওঁ তেতিয়া তোমাক লগ লগাই দিব মহামন্ত্ৰীৰ লগত, তেওঁ ল'ব হেজাৰ. আৰু তেহে দৰ্শন পাবা ৰজাৰ।"

ৰজাক লগ ধৰিব নোৱাৰি বুলি বুজি পাই হতাশ কুমুদ তাৰপৰা গুচি গ'ল আৰু গৈ গৈ ৰাজধানীৰ সীমা প্যৰ হৈ এক গভীৰ অৰণ্যৰ সোঁমাজলৈ সোমাল।

সোমায়েই দেখা পালে তাত এগৰাকী মুনিক, আৰু সেই মুনিয়েও কুমুদক মাতি ক'লে, "বৰ ভাল সময়ত আহিলা বোপাই, ময়ো কোনোবা অহালৈ আছিলোঁ বাট চাই, ভগৱন্তই দিলে

মিলাই। মই আজি এই ক্ষণেই হিমালয়লৈ যাত্রা কৰিম, আৰু তোমাক এই মন্ত্রশক্তি—থকা আঙঠিটো দিম। এই আঙঠিটো সদায়-সর্বক্ষণ থাকিবা পিন্ধি, ওলাব যে কত নোহোৰা-নোপজা কামৰ সন্ধি—। আঙঠিটোত এই যে শুধ বগা মাণটো দেখিছা, বেয়া মানুহৰ সংস্পর্শলৈ আহিলেই হৈ পৰিব ক'লা, জানি থ'বা—সেই মানুহটো গেলা। আৰু দিম তোমাক নৰাক্ষৰী মন্ত্র, তিনিবাৰ মনে মনে জপিলেই—কাম হ'ব তুৰন্ত। যি খুজিবা তাকে পাবা,যেনে মন যায় পয়মাল দিবা।"

এইবাৰ কুমুদে আঙঠিৰ যহতে পা-পৰিয়ালে ৰাজধানীত থাকিবলৈ ল'লে আৰু তাত থাকি আক-তাক সোধ-পোছ কৰি কৰি কোনহঁত ঘোচখোৰ তাৰ মুঠমাঠ উমান এটা পালে। ঘোচখোৰ এজন নহয় দুজন নহয়—হেজাৰ হেজাৰ।

যি কি নহওক, এদিন কুমুদ ৰাজধানীৰ অতি বিখ্যাত ধার্মিক বুলি জনাজাত বেপাৰী এজনৰ কাষ চাপিল আৰু লগে লগে আঙঠিৰ বগা মণি ক'লা পৰিল। কুমুদে বুজি পালে যে এই বেপাৰী—যি ধার্মিক বুলি জনাজাত—আচলতে বজ্জাত।

কুমুদে বেপাৰীক ক'লে, "তুমি এটা নাৰকী, যদি পাপ গুচাবৰ মন, মোক দিয়া দহহেজাৰ মুদ্রাৰ ধন। এতিয়া যি ধৰ শূন্য, তেতিয়া পাবা পুণ্য। যদি দিয়া—ভাল, যদি নিদিয়া ময়েই হ'ম তোমাৰ কালৰো কাল।"

কিন্তু এই বেপাৰীও আছিল নোম-টেঙৰ। বেপাৰীয়ে ক'লে, "দিম, তোমাক দিম! পিছে — কি দিম? —তোমাক ৰজাৰ প্রহৰীৰ হাতত দিম।"

তিমানতে কুমুদে নৰাক্ষৰী মন্ত্র জপি বেপাৰীক মাটিলৈ বগৰাই পেলাইছিল আৰু তাৰ হাত-ঠেঙো জঠৰ হৈ পৰিছিল।

তাৰ পাছত কাবৌ-কোকালি কৰাত

কুমুদে বেপাৰীক পুনৰ ভাল কৰি তুলিলে আৰু বেপাৰীয়ে কুমুদক দহহেজাৰ দিলে।

এনেকৈ, আঙঠিৰ সহায়ত কুমুদে ৰাজধানীৰ ভালেমান অনৈতিক দুৰ্নীতি-পৰায়ণ দুখীয়াৰ তেজ-শোহাহঁতৰপৰা ধন আদায়কৰি দুখীয়াহঁতক বিলাবলৈ ধৰিলে।

ক্ৰমে কুমুদৰ নাম ৰজাৰ কাণতো নপৰাকৈ নাথাকিল। ৰজাই ক'লে মহামন্ত্ৰীক, মহামন্ত্ৰীয়ে পালি-মন্ত্ৰীক, আৰু পালিয়ে ৰাজসভাৰ দুৰৱীক।

পাছ দিনাই দুৰৱয়ে তাৰ লগত কেইজনমান ৰাজ-প্ৰহৰীক লৈ কুমুদৰ ঘৰলৈ গ'ল আৰু কুমুদক তাৰ লগত যাবলৈ আদেশ দিলে।

কুমুদে দুৰৱীক ক'লে, "তুমি—প্ৰথমতে নিজৰ পাপৰ কৈফিয়ৎ দিয়া, তাত পাছত আন কথা হ'ব।"

"কি! ইমানেই সাহস হ'লনে তোৰ? ৰঃ, তোক এতিয়াই বগাঘৰত ভৰাম।" দুৰাৰীয়ে ক'লে।

"ঠিক আছে, ভৰাবা। কিন্তু—সেই ৰজাৰ প্ৰহৰীকেটাক তোমাৰ ঘৰলৈ পঠাই তুৰন্তে পাঁচ হেজাৰ মুদ্ৰা আনি মোক দিয়া, তেহে তুমি মুক্তি পাবা।"

এই বুলি কৈয়েই কুমুদে নৰাক্ষৰী মন্ত্ৰ জপি থাকিল আৰু চাওঁতে চাওঁতে বিৰাট গোঁফাল দুৰৱী ধাচকৰে মাটিলৈ হামখাৰ খাই পৰিল। তেতিয়া দুৰৱীয়ে প্ৰহৰী-বিলাকক ইংগিত কৰিলে আৰু সিহঁতে লৰৰি গৈ তাৰ ঘৰৰপৰা পাঁচহেজাৰ মুদ্ৰা-কুমুদক আনি দিলে। লগে লগে দুৰৱীয়ে তাৰ হেৰোৱা বল-শক্তিও ঘূৰাই পালে।

তাৰ পাছত কুমুদক ধৰি লৈ যাবলৈ মহামন্ত্ৰী আহিল, আৰু তেওঁৰো একেই অৱস্থা হ'ল। মহামন্ত্ৰীয়ে কুমুদক পঁচিছ-হেজাৰ মুদ্ৰা দিবলৈ বাধ্য হ'ল।

এইবোৰ কথা শুনি—ৰজাই বুজি পালে যে—কুমুদ নামৰ এই মানুহজন যেনতেন মানুহ নহয়, অসাধাৰণ মানুহ।

গতিকে—এইবাৰ তেওঁ স্বয়ং গ'ল।

কুমুদে ৰজাক ভৰি ছুই প্ৰণাম কৰাত বিস্মিত ৰজাই ক'লে "তোমাৰ কথা ঢেৰ শুনিলোঁ। তুমি মোৰ ভৰি ছুই প্ৰণাম কৰিবা বুলি কল্পনা কৰিবপৰা নাছিলোঁ।"

"ৰজা হিচাপে—মই আপোনাতকৈ হয়তো কিঞ্চিত সৎ ৰজা। কিন্তু দেশৰ ৰজা আপুনি, যাৰ যি প্ৰাপ্য—দিবই লাগিব।" কুমুদে ক'লে।

"কিন্তু—দুৰ্নীতিৰ গুচাবলৈ ৰাজধানীলৈ আহি তুমি কিয় আৰু কেনেকৈনো নিজেই দুৰ্নীতিৰ ৰজা হৈ পৰিলা—ক'বানে?" ৰজাই কিঞ্চিত ব্যংগপূৰ্ণভাবে সুধিলে কুমুদক, "আৰু তথাপি কেনেকৈ সৎ—?"

"মই দুৰ্নীতিগ্ৰস্ত—কিয় এই কথা কৈছে মহাৰাজ? মই সামান্য সংখ্যক দুৰ্নীতিপৰায়ণ-ঘোচখোৰ মানুহৰ ৰজা হৈ আছোঁ। কিন্তু আপুনি—অসংখ্য নিৰীহ প্ৰজাৰ ওপৰত অত্যাচাৰ কৰি বৰ্তি থকা ৰজা হয়নে নহয়—নিজেই ভাবি চাওক, মহাৰাজ! আৰু ভাবি চাওক—এমুঠিমান দুৰ্নীতিপৰায়ণৰ ৰজা সৎ নে—দুৰ্নীতিৰ কাষেদিও নোযোৱা আপামৰ প্ৰজাৰ লগত দুৰ্নীতিপূৰ্ণ আচৰণকাৰী ৰজা সৎ। ভাবক।" কুমুদে কুঁজৰ মূৰত কিল মাৰিলে।

কুমুদৰ এই কথাই ৰজাৰ জ্ঞানোদয় কৰা হ'ল। তেওঁ কুমুদক কথা দিলে, "আগলৈ—দেশৰ চুকে-কোণে শিপাই যোৱা দুৰ্নীতিৰ মূৰ উঘালিম—স্বাৰ্থপৰ দেশদ্ৰোহী ঘোচখোৰহঁতক কঠোৰতম দণ্ড দিম, ন্যায়ৰ শাসন নিশ্চয় প্ৰতিষ্ঠা কৰিম।"

কুমুদে এইবাৰ আঙঠিটো আঙুলিৰ-পৰা সোলোকাই পেলালে, ৰজাই কুমুদৰপৰা এই মন্ত্ৰশক্তিসম্পন্ন আঙঠিটো খোজাত কুমুদে ক'লে, "মহাৰাজ! এই আঙঠি মই কেৱল মোৰ উত্তৰাধিকাৰীকহে দিব পাৰিম—এয়া গুৰুৰ আদেশ। আপুনি কিন্তু আপোনাৰ কথাত ৰ'ব, পাহৰি নাযাব।" এই বুলি কৈ কুমুদ

তৎক্ষণাৎ তাৰপৰা গুচি গ'ল।

তাৰ পাছত—কুমুদে বাটৰ কাষত বিৰাট সৰোবৰ এটা পাই আঙঠিটো সেই সৰোবৰলৈ দলিয়াই পেলালে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰাজন্! কুমুদ বোলে বৰ বুদ্ধিমান আছিল। কিন্তু—কুমুদৰ কাম-কাজত বুদ্ধিমানৰ চিন বৰ আছিলনে? যদি ৰাইজৰ মংগলেই কুমুদক লাগিছিল—তেনেহ'লে আঙঠিৰ সহায়ত তেওঁ দেখোন আনকি নিজেই ৰজাও হ'ব পাৰিলেহেঁতেন। ৰজা নহ'ল যদি নাই—কিন্তু মন্ত্ৰঃপূত আঙঠিটো সৰোবৰলৈ দলিয়াই পেলাই কি লাভ হ'ল কুমুদৰ, বা, দেশৰ ৰাইজৰ? আনকি—আঙঠিটো কুমুদে ৰজাক দিয়াহেঁতেনো ৰজাই আঙঠিৰে প্ৰজাৰ ঢেৰ উপকাৰ কৰিব পাৰিলেহেঁতেন কুমুদৰ দেখ দেখ স্বাৰ্থপৰ আচৰণৰ সঠিক ৰহস্য জানিও যদি নোকোৱা—তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্য ৰজাই বেতালক ক'লে, "তোমাৰ প্ৰশ্নৰ উত্তৰত এই কথাখিনিই যথেষ্ট হ'ব যে—কুমুদে আঙঠিটো ৰজাক দিয়াহেঁতেন ৰজাই নিজে সৎ শাসনৰ চেষ্টাও নকৰি আঙঠিৰ মন্ত্ৰশক্তিৰেই মছগুল হৈ থাকি শেহলৈ প্ৰজাৰ অনিষ্টহে সাধিলেহেঁতেন। জগতৰ কোনো মন্ত্ৰশক্তিয়েই প্ৰকৃত মংগল কৰিব নোৱাৰে যে—সেই কথাটো জানিয়েই কুমুদে মন্ত্ৰঃপূত আঙঠিটো দলিয়াই পেলাইছিল, কিয়নো, কুমুদে মনে-চিতে বিশ্বাস কৰিছিল যে—মন্ত্ৰই নহয়, একমাত্ৰ মানুহেই মানুহৰ মংগল সাধিব পাৰে।"

ৰজা বিক্ৰমাদিত্যৰপৰা এই সদুত্তৰ শুনিয়েই বেতাল বিজুলীগতিৰে পুনৰ সেই গছজোপালৈ উভতি গ'ল আৰু গৈ গছৰ ডালত পুনৰ ওলমি থাকিল। [কল্পিত

ৰোষ বুজি ৰাখে ৰোষ নাথাকিব আফছোছ

অৱন্তীদেশৰ ৰাজকুঁৱৰীৰ বিয়া। কিন্তু পাত্ৰৰ বাছনিহে বৰ জটিল অৱস্থা পাইছেহি। নানান দেশৰ ৰজাৰকুঁৱৰ আহিছিল। কোন বীৰ—তাৰ প্ৰতিযোগিতা হৈছিল। প্ৰতিযোগিতাৰ অন্তত দুজনৰ বীৰত্ব সৰ্বশ্ৰেষ্ঠ বুলি সাব্যস্ত হৈছে। কিন্তু —বিয়া তো দুজনৰ লগত নহ'ব, এজনৰ লগতহে হ'ব। কোন যাব কোন ৰ'ব সেয়ে হ'ল কথা। দুয়ো সমান। কোনে পাব সন্মান ?

ৰজাই ৰাজকুঁৱৰীক ক'লে, "দেখিছাই অৱস্থা। কাম এটা কৰা যাওক। আমাৰ পৰিয়ালৰ সকলোটিৰ উপস্থিতিত তুমি এখিলা কাগজ উলিয়াই ল'বা। সেই কাগখিলাত যাৰ নাম পাবা. সেইজনেই হওক তোমাৰ পতি।"

সেই দুজনৰ নাম যথাক্ৰমে ৰাজকুঁৱৰ বিক্ৰমবৰ্মা আৰু পুষ্পৰন্ত। পুষ্পৰন্ত আছিল মহাৰাজৰ বন্ধুপুত্ৰ। পুষ্পৰন্তৰ সৈতে যোৰা হ'লে. মহাৰাজে ভাল পাব। কিন্তু ৰাজকুঁৱৰীয়ে ভাল পায় বিক্ৰমক। ৰাজকুঁৱৰীয়ে তেওঁৰ সখিয়েকৰ যোগেদি জানিলে যে পিতৃয়ে দুখিলা কাগজতে পুষ্পৰন্তৰ নাম লিখি থৈছে।

পাছদিনা, লোকচক্ষুৰ আগত, ৰাজকুঁৱৰীয়ে স্বৰ্ণপাত্ৰত থৈ দিয়া দুখিলা কাগজৰ মাজত এখিলা ল'লে আৰু তেওঁৰ পিতৃক ক'লে, "পিতাশ্ৰী, মোৰ ভাবী পতিৰ নাম ক'বলৈ মই লাজ পাইছোঁ। সিখিলা কাগজ আপুনিয়েই লওক আৰু নামটো কওক। তেতিয়া —এইখিলা কাগজত যাৰ নাম থাকিব—মই তেওঁকে বৰণ কৰিম'ম।"

মহাৰাজ বৰ বিমোৰত পৰিল, কিয়নো -তেওঁ জানেই, ইখিলা কাগজতো পুষ্পৰন্তৰ নাম আছে। গতিকে সিখিলাত থকা নামটো হ'ব লাগে—বিক্ৰমৰ। মহাৰাজে ফাপৰত পৰি বিক্ৰমবৰ্মাৰ সৈতেই ৰাজকুঁৱৰী উমাসুন্দৰীৰ বিয়াৰ কথা ৰাজহুৱাকৈ ঘোষণা কৰিলে আৰু লগতে ৰাজকুঁৱৰীৰ ৰোষ বুজি ৰোষ ৰখাৰ বুদ্ধিৰো যথোচিত শলাগ ল'লে।

চান্দমামা ক্ৰোড়পত্ৰ-৬৭

ভাৰতৰ বৃক্ষৰাজি

বোধি-বৃক্ষ

ৰাজকোঁৱৰ সিদ্ধাৰ্থ তপস্যাৰ বাবে এজোপা বোধিবৃক্ষৰ তলত উপবেশন কৰিছিল আৰু বহু দিনৰ অন্তত তাতেই জ্ঞানলাভ কৰিছিল বুলি জান-বিশ্বাস। বোধিবৃক্ষৰ তলত যিজনে জ্ঞান লভিব, তেওঁকেই 'বুদ্ধ' বুলি অভিহিত কৰা হ'ব। এই বোধি বৃক্ষ যি ঠাইত আছে, সেই ঠাইৰ নাম 'বোধ-গয়া'। কলিংগৰাজ অশোকে যেতিয়া বৌদ্ধধৰ্মত শৰণ ল'লে, তেতিয়া তেওঁ তেওঁৰ জীয়েক সংঘমিত্ৰাক লংকালৈ (আজিৰ শ্ৰীলংকা) পঠালে বৌদ্ধধৰ্ম প্ৰচাৰৰ বাবে। সংঘমিত্ৰাই এজোপা বোধিবৃক্ষৰ পুলি লংকালৈ লৈ গৈছিল আৰু তাত —অনুৰাধাপুৰত সেই পুলি ৰুইছিল। এয়া ২৮৮ খৃষ্ট-পূৰ্বাব্দৰ ঘটনা। সেই পুলিজোপা আজিও, ২২০০ বছৰতকৈয়ো অধিক দিন জীয়াই আছে!

এই বৃক্ষৰ সাধাৰণ নাম হ'ল 'পিপল' যাক 'অশ্বত্থ' বা 'আশ্বত' বৃক্ষ বুলিও কোৱা হয়। তামিল আৰু মালয়ালম ভাষাতো এই বৃক্ষ 'অশ্বত্থ' নামেৰে অভিহিত। এই বৃক্ষৰ লেটিন নাম হ'ল 'ফিকাছ ৰিলিজিছা লিন্'। এই নামটিৰপৰাও এই বৃক্ষৰ খ্যাতিৰ পৰিচয় পোৱা যায়। এই বৃক্ষ মন্দিৰৰ গাত বা ডাঙৰ ডাঙৰ অট্টালিকাৰ গাতো পৰিলক্ষিত হয়। পিপলবৃক্ষ কোনোবাই কাটিলে তেওঁক পুৰুষ-পৰম্পৰাই সোঁৱৰা হয়। এই বৃক্ষৰ শিপাই যদিও অন্যান্য বৃক্ষৰ কিঞ্চিত অনিষ্টসাধন কৰে, তথাপি পিপল বা আহঁতচ আনকি তাৰ শাখ-প্ৰশাখাকো কোনেও সাধাৰণতঃ নাকাটে।

এই জ্ঞানবৃক্ষৰ পাতবোৰ কোমল নিমজ আৰু উজ্জ্বল বৰণৰ। পাতবোৰ দেখাত প্ৰায় আমঠুৰ দৰে আৰু পাতৰ শেষভাগ দীঘলীয়াকৈ জোঙা। এই বৃক্ষৰ পাতবোৰ ওলমি থাকে আৰু সেইহে সামান্য বতাহতো হালে-জালে। এই বৃক্ষৰ ফলবোৰ চৰাইৰ প্ৰিয় খাদ্য আৰু চৰাইবোৰেই এই বৃক্ষৰ ফলবোৰ লৈ লৈ দিহিং-দিপাঙলৈ কঢ়িয়াই লৈ যায়-আৰু এইদৰে চৰাইবিলাকৰ সহায়ত য'তে ত'তে এইসৰ্বজনপ্ৰিয় বোধি-বৃক্ষৰ সৃষ্টি হয়।

ত্ৰিপিটক

বুদ্ধৰ জন্মদিন, বোধি তথা নিৰ্বাণপ্ৰাপ্তিৰ দিন তথা তেওঁৰ মৃত্যুৰ দিনটিও আছিল পূৰ্ণিমাৰ দিন—বুলি জন-বিশ্বাস পৰিলক্ষিত হয়। পাছত, এই বিশেষ পূৰ্ণিমাৰ দিনটি 'বুদ্ধ'-পূৰ্ণিমা' ৰূপে আখ্যাত হৈছে। 'বুদ্ধ-পূৰ্ণিমা' এই মাহতে।

বুদ্ধৰ মতে (৫৬৬—৪৮৬ খৃঃ পূঃ) : জীবন হ'ল পৰিপূৰ্ণভাবে এক মহাদুঃখৰ সমাহাৰ। গতিকে—জ্ঞানী ব্যক্তিসকলে নিশ্চয় নিৰ্বাণলৈ আকাংক্ষা কৰিব। 'নিৰ্বাণ' হ'ল জীৱনৰ বিপৰীত অৱস্থা। নিৰ্বাণ লাভৰ অৰ্থ হ'ল—আৰু জন্মও নাই মৃত্যুও নাই। তেওঁৰ শিক্ষাসমূহ—অৰ্থাৎ আকাংক্ষাৰ সমাপ্তি আৰু নিৰ্বাণলাভৰ কথা তেওঁ নিজে—বা তেওঁৰ প্ৰধান প্ৰধান শিষ্যবৰ্গয়ো লিখি থৈ যোৱা নাছিল। বৌদ্ধ-পণ্ডিতবৰ্গই বুদ্ধৰ শিক্ষাসমূহ তেওঁলোকৰ জীৱনত আচৰণ কৰিছিল আৰু সেইৰূপেই, বুদ্ধৰ নিৰ্বাণ-প্ৰাপ্তিৰ দুশ বছৰতকৈও অধিক দিনৰ পাছত, সম্ৰাট অশোকৰ আহ্বানত, বৌদ্ধ-পণ্ডিতবৰ্গ সন্মিলিত হৈ বুদ্ধৰ শিক্ষাসমূহ লিপিৱদ্ধ কৰিছিল।

তেওঁৰ শিক্ষাসমূহ তিনি ভাগত বিভক্ত হোৱাহেতুকে সেই পুস্তক 'ত্ৰিপিটক' বুলি অভিহিত। ত্ৰিপিটক হ'ল :

১. বিনয়-পিটক : ২. সুত্ত-পিটক : আৰু ৩. অভিধম্ম পিটক। এই পিটক সমূহত জীৱনত নিৰ্বাণলাভৰ উপায় বৰ্ণোৱা হৈছে।

তিনিওখনৰ মাজত 'সুত্ত-পিটক' হ'ল প্ৰধানতম। এই পুস্তকও তথা পিটক ৪২৩টি জীৱনৰ মূলসূত্ৰ আছে। 'ধম্মপদ' নামৰ পিটকৰপৰা এই সূত্ৰসমূহ আহৰণ কৰা হৈছে।

ত্ৰিপিটক পালি ভাষাৰে ৰচিত। এই পুস্তকৰপৰা দুই-এটি উদাহৰণ দিয়া হ'ল :

"ঘৃণাই ঘৃণাৰ অন্ত পেলাব নোৱাৰে, অঘৃণাইহে ঘৃণাৰ অন্ত পেলাব পাৰে।"

“পুষ্পৰ সুগন্ধ বতাহৰ বিপৰীতে পোৱা নাযায়, কিন্তু সাধু ব্যক্তিৰ সৌগন্ধ তথা প্ৰভাৱ সকলোতে বিস্তাৰিত হয়।”

বৌদ্ধিক আদৰ্শৰ প্ৰধান পুস্তক ত্ৰিপিটক, আৰু অন্য এখন উল্লেখযোগ্য গ্ৰন্থ হ’ল ‘জাতক’। জাতকত আছে বিভিন্ন নীতি-উপদেশমূলক আখ্যান, যি আখ্যানসমূহ বিশ্বৰ মানৱ-সমাজত আজিও আদৃত। জাতক অতি সহজ-সৰল ভাষাৰে অতি সাধাৰণ জনগোষ্ঠীয়ে বুজি পোৱাকৈ ৰচিত এক মহাজ্ঞানৰ আকৰ। জাতকৰ তুল্য সৰল অথচ অতি প্ৰয়োজনীয় পুস্তক পৃথিৰীৰ পুস্তক-ভাণ্ডাৰতো বিৰল।

জা নো নে ?

১. ইহুদিজাতিৰ প্ৰতিষ্ঠাতা কোন ?
২. ৰেড ক্ৰছ-আন্দোলনৰ উদ্গাতা কোন ?
৩. দক্ষিণ আমেৰিকাস্থ 'বলিভিয়া' নামটো কেনেকৈ হ'ল ?
৪. পয়গম্বৰ মহম্মদৰ উত্তৰাধিকাৰী সকলক 'খলিফা' বুলি কোৱা হয়। প্ৰথমগৰাকী 'খলিফা' কোন ?
৫. 'কুইনাই'ন—কোন গছৰপৰা পোৱা যায় ?
৬. ভাৰতত পোনপ্ৰথমে কোনে বৰতোপ লৈ আহিছিল ?
৭. এগৰাকী বিখ্যাত ফৰাছি দাৰ্শনিকে সাহিত্যত ন'বেল বঁটা গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। তেওঁ কোন ?
৮. পৃথিৱীখন ঘূৰণীয়া—এই তত্ত্বৰ প্ৰথম উদ্গাতা কোন ?
৯ এগৰাকী গ্ৰিক দাৰ্শনিকে পোন প্ৰথমে অভিমত প্ৰকাশ কৰিছিল যে জোনৰ নিজস্ব পোহৰ নাই। তেওঁ কোন ?
১০. সৰ্ববৃহৎ আফ্ৰিকীয় দেশখন কোনখন ?
১১. বৌদ্ধধৰ্মৰ দুটা প্ৰধান শ্ৰেণীৰ নাম ?
১২. এগৰাকী আমেৰিকীয় ৰাষ্ট্ৰপতি মাত্ৰ এমাহৰ বাবে কাৰ্য্যৰত আছিল তেওঁ কোন ?
১৩. কোনোবা এক ইউৰোপীয় জাতিৰ ৰাজধানী একুৰি দ্বীপত অৱস্থিত। সেই জাতিৰ আৰু ৰাজধানীৰ নাম কি ?
১৪. ১৫ শতিকাত মুদ্ৰণযন্ত্ৰ কোনে কাৰ্য্যকৰী কৰি তুলিছিল ?
১৫. জাপানত কোন গৰাকী সম্ৰাটে লিখিত সংবিধান দিছিল ?
১৬. পৃথিৱীৰ প্ৰথম মহিলা প্ৰধানমন্ত্ৰী কোন ?

উত্তৰ

১. আব্ৰাহাম।
২. হেনৰি ডুনাণ্ট।
৩. ১৮২৫ চনত স্পেনৰ শাসনৰপৰা মুক্ত কৰা ছাইমন বলিভাৰৰ নামানুসাৰে।
৪. আবু-বকৰ।
৫. ছিন্‌কোনা গছ।
৬. বাবুৰ।
৭. জঁা পল্ ছাৰ্ত্ৰ।
৮. পিথাগোৰাছ।
৯ অ্যানাক্সাগোৰাছ।
১০. ছুদান।
১১. হীনযান আৰু মহাযান।
১২. উইলিয়াম হেনৰি হেৰিছন, ৰাষ্ট্ৰপতি নিৰ্বাচিত হোৱাৰ এমাহৰ অন্তত মৃত্যু হৈছিল
১৩. সুইডেন—ষ্টকহোম।
১৪. যোহন গুটেনবাৰ্গ।
১৫ সম্ৰাট মেইজিয়ে।
১৬. শ্ৰীলংকাৰ ছিৰিমাভো বান্দাৰনায়িকে।

খোলোচা গল্প

ৰামশাস্ত্ৰীয়ে তেওঁৰ বিবাহযোগ্য বুদ্ধিমান পুত্ৰ কৃষ্ণশাস্ত্ৰীৰ কাৰণে কইনা বিচাৰি বিচাৰি ভাগৰি পৰিল, কিন্তু বিচাৰোঁতেই দিন গ'ল, পাবলৈ নহ'ল। সেই যে কথাতে বোলে—পোলৈ বোৱাৰী চাওঁ ঘূৰি ঘূৰি মোলৈহে পাওঁ— অৱস্থা প্ৰায় তেনেকুৱাই হ'ল। ধুনীয়া নোপোৱা নহয়, কিন্তু বুদ্ধিৰ ফালেহে ঘুণীয়া। ৰামশাস্ত্ৰীয়ে জানে—সৌন্দৰ্য্য সদায় নাথাকিব, বুদ্ধি থাকিব আৰু দিনে দিনে বাঢ়িব আৰু বুদ্ধি থাকিলেহে বুঢ়াকালতো শান্তিৰ বা' জিৰ জিৰকৈ হ'লেও বলিব। আৰু—বাজ ভেলেণ্ডী ভিতৰ টেঙৰী আনিও লাভ নাই। কথাতে আছে—বাছি খাবা জাগি শুবা, তাৰ ফল পাছে পাবা। কিন্তু পায় ক'ত মনে-খোৱা? সাৰ হ'ল অহা-যোৱা।

পুতেকৰ বিয়াৰ কথা ভাবি ভাবি যেতিয়া ৰামশাস্ত্ৰীৰ 'ৰাম বোলা হৰি বোলা' অৱস্থা, ঠিক তেতিয়াই বৰধন-পুৰৰপৰা দূৰ সম্পৰ্কীয় আত্মীয় এজন আহিল আৰু অন্যান্য কামৰ কথা-বাৰ্তাৰ অন্তত যেতিয়া কৃষ্ণশস্ত্ৰীৰ বিয়াৰ কথা ওলাল, তেতিয়া আগন্তুক আত্মীয়জনে ক'লে যে—বৰধনপুৰৰে ধৰ্মসাৰথিৰ পুত্ৰী ৰাধামণিক ৰামশাস্ত্ৰীয়ে চকু মুদিয়েই বোৱাৰী হিচাপে আনিব পাৰিব, কিয়নো —ৰাধাজণী কেৱল সুন্দৰীয়েই নহয়, বুদ্ধিতো সৰস্বতীৰ বৰপুত্ৰীহেন।

আত্মীয়গৰাকীৰ কথামত ৰামশাস্ত্ৰীয়ে তেওঁৰ পৰিবাৰক আৰু পুত্ৰকো লগত লৈ গ'ল ৰাধাক চাবলৈ। ৰাধাক সজাই-পৰাই লৈ আহিল তাইৰ মাকে। ৰাধা

ৰমা দেৱী



মজিয়াতে পৰি থোৰা ঢাৰিত তলমূৰ হৈ ৰহিল। হয়, ৰাধাজনী দেখাত যে ৰূপৱতী —সন্দেহ নাই। কিন্তু ৰামশাস্ত্ৰীয়ে জানে —কেৱল দেখাত-ভালেই ভাল নহয়, সেই ভাল কালে কালে 'কাল'ও হ'ব পাৰে। আচল কথা হ'ল চৰিত্ৰ আৰু বুদ্ধিমত্তা।

ধৰ্মসাৰথিয়ে ৰামশাস্ত্ৰীকে ক'লে "মহাশয়, মোৰ পুত্ৰী হ'ল তিনিজনী, এটি পুত্ৰ। ৰাধাজনীয়েই ঘৰত আছে, আন-বিলাকক মোমায়েকে লৈ গ'লহি।"

ৰামশাস্ত্ৰীয়ে ক'লে, "মহাশয় আপোনাৰ সুপুত্ৰী অপূৰ্ব ৰূপৱতী। কিন্তু —আমাৰ কৃষ্ণই যদি ৰাধাজনীক গুটি দিয়েক প্ৰশ্ন সোধে—বেয়া পাবনে? সেই কেইটা প্ৰশ্নৰ উত্তৰ যদি তাই দিব পাৰে, এই বিবাহত আৰু কোনো প্ৰশ্ন নাই।"

ধৰ্মসাৰথিয়ে ক'লে, "নিশ্চয়, নিশ্চয়। ইচ্ছামতে প্ৰশ্ন কৰিব পাৰে।"

দেউতাকৰপৰা ইংগিত পাই কৃষ্ণই ৰাধাক প্ৰথম প্ৰশ্নটো সুধিলে, "আপোনা-লোকৰ ঘৰত দৰ্পণ-বৈৰী কিমান?"

ৰাধাই মৃদুকৈ হাঁহিৰে মুখখন উজ্জলাই ক'লে, "মোৰ ভাই-ভনী সকলো দৰ্পণ-মিত্ৰ। দৰ্পণ-বৈৰী আমাৰ ঘৰত নাই।"

"ভাল। পিছে—আগতে আপোনা-লোকৰ ঘৰত কিমান দৰ্পণ-বৈৰী আছিল আৰু এতিয়া দৰ্পণ-মিত্ৰলৈ কিমান পৰিৱৰ্তিত হ'ল—ক'বনে?"

"কেৱল মোৰ আইতাৰহে এই পৰিৱৰ্তন হৈছিল। সম্প্ৰতি তেওঁ ঢুকাল।"

"বাৰু, আপোনালোকৰ গাঁৱত মাহেকত এবাৰকৈ আউসী হয়নে? নে সেই আউসীৰ নিশাও জোনাক হয়?" কৃষ্ণই বেৰ মাৰিলে।

"আমাৰ গাঁৱত আউসীৰ নিশাও পূৰ্ণিমাৰ জোন ওলায়। প্ৰকৃতপক্ষে—আমাৰ গাঁৱৰ কোনেও আউসী কি—তাকো নাজানে।" ৰাধাই বৈ বৈ ক'লে।

"আপোনালোকৰ গাঁৱত—জহকালি

চৰাইবোৰ আহেনে ?" কৃষ্ণই কায়দা কৰি সুধিলে।

কিন্তু এই কায়দাৰে কোনো ফায়দা নহ'ল। ৰাধাই ৰঙতে উত্তৰ দিলে, "আমাৰ গাঁৱলৈ — সকলো ঋতুতেই চৰাইবোৰ আহে।"

"ঠিক আছে। পিছে— আপোনাৰ পিতাদেউৰাই আকাশলংঘা পৃথিৰী-বিয়পা ৰভা সাজি-আমাৰ বিবাহখন পাতিব পাৰিবনে ?" কৃষ্ণাই পেচঁ পাতিলে।

"ইমান আহল-বহল ৰভা সাজিবলৈ আমাৰ গাঁওখনেই আকাশ হৈ যাব।" ৰাধায়ো ৰেপি কাটিলে।

এইবাৰ ৰামশাস্ত্ৰীয়ে ধৰ্মসাৰথিক ক'লে, "আপুনি পঞ্জিকা চাই দিন স্থিৰ কৰক। আমাৰ ফালৰপৰা আৰু কোনো প্ৰশ্ন নাই।"

তাৰ পাছত মিঠাই খাই মিঠাকৈ হাঁহি মিঠা মিঠা কথাৰ মাজেদি ধৰ্মসাৰথিক নমস্কাৰ কৰি ৰামশাস্ত্ৰী আৰু তেওঁৰ পুত্ৰ-পৰিবাৰ পুনৰ বাগীত উঠিলগৈ।

বাটত ৰামশাস্ত্ৰীৰ পৰিবাৰে ক'লে, কৃষ্ণই যে ৰাধাক কি সুধিলে—ৰাধায়েইবা কি ক'লে—মই কিন্তু সিবোৰ কথাৰ মাথা-মুণ্ড একোৰেই বুজি নাপালোঁ।"

ৰামশাস্ত্ৰীয়ে হাঁহি মাৰি পৰিবাৰক ক'লে, "শুনা, দৰ্পণ-বৈৰী মানে হ'ল—অগঢ়ী। ৰাধাহঁতৰ ঘৰত দেখাত অগঢ়ী কেইজন আছে বুলি কৃষ্ণই সুধিছিল আৰু ৰধাই 'দৰ্পণ-মিত্ৰ' থকাবুলি কৈছিল যে—সেই 'দৰ্পণ-মিত্ৰ'ৰ অৰ্থ হ'ল—দেখাত 'ধুনীয়া'। মাত্ৰ এজনীয়েই পাছত 'দৰ্পণ-বৈৰী' হৈছিলগৈ বুলি যে কৈছিল তাই—সেই 'দৰ্পণ-বৈৰী' আছিল তাইৰ আইতাক। তেওঁ তিনিকাল গৈ একালত ভাবি দিয়াত আগঢ়ী হৈছিল বুলি কৈছিল। আমাৰ কৃষ্ণই সুধিছিল যে—ৰাধাহঁতৰ গাঁৱত আউঁসীতো জোনাক হয়নে কি—তাৰ উত্তৰত ৰাধাই কৈছিল যে সিহঁতৰ

গাঁৱত কোনেও আউঁসী কি—তাকো নাজানে। তাৰ অৰ্থ হ'ল—গাঁৱৰ মানুহ-মুনিহখিনি জোনাকৰ দৰেই নিৰ্মল, কপট-কুৰ্ধীয়া নহয়। জহকালিও চৰাই আহেনে কি সোধাত তাই যে সদায় সকলো ঋতুতেই চৰাই আহে বুলি কৈছিল—তাৰে— সিহঁতৰ গাঁৱত জহকালিও ভালেই খেতি-বাতি হয়—এই কথাকে বুজাইছিল, কৃষ্ণৰ শেষ প্ৰশ্ন আছিল—আকাশলংঘা পৃথিৱী-বিয়পা ৰভা সাজি বিয়া পাতিব পাৰিবনে কি তাইৰ দেউতাৰাই। তাই যি উত্তৰ দিছিল—সেই উত্তৰ আছিল-তাইৰ পিতৃ-মাতৃয়ে ইমান বিৰাট পৰিমাণৰ খৰচ কৰিব নোৱাৰিব, আৰু এইদৰে খৰচ কৰিবলগা হ'লে সিহঁতৰ ঘৰেই আকাশ হ'ব, অৰ্থাৎ সিহঁতৰ ভেটি-মাটি বেচিব লাগিব। এতিয়া বুজিলানে তাই কিমান বুদ্ধিমতী? ৰূপ সদায় নাথাকিব, কিন্তু তোমাৰ বোৱাৰীৰ সৎবুদ্ধি দিনক দিনে দোপে দোপে বাঢ়িব, বুদ্ধিৰ জেউতি চৰিব।"

পৰিবাৰে তথাপি ক'লে, "পিছে—সিহঁতৰ মাজত হোৱা এনেবোৰ কথা-বতৰাৰ গুৰিত' ৰহস্যনো কি—বুজা নায়েই দেখোন!"

ৰামশাস্ত্ৰীয়ে পৰিবাৰক সুধিলে, "এতিয়া কোৱা, বোৱাৰী পছন হৈছেনে নাই। তাইক—ৰাধাক —কৃষ্ণৰ যোগ্য বুলি ভাবানে নাই—?"

তেতিয়া পৰিবাৰে হাঁহি হাঁহি ক'লে, "বাদ দিয়ক—এইবোৰ প্ৰশ্ন আৰু উত্তৰেৰে মোৰনো কি? যি ৰহস্য আছে—থাকক সিহঁতৰ মাজত। পিছে—বোৱাৰী হৈ অহাৰ পাছতো যদি তাই এনেবোৰ ঠাৰে-চিয়াঁৰে কয়—ময়ো ক'ম তাইক—যি ক'বা খোলোচা—নেজানো কি চোবাইছা।"

শুনি ৰাম-কৃষ্ণ একেলগে হো হো কৰে হাঁহি উঠিল।



বি-সম্বাদৰ ঝমক

জীৱন বায়ুৰ ৰেকৰ্ড !

আপুনিও উশাহ বন্ধ কৰক আৰু পঢ়ক—স্যুইডেনৰ পিটাৰ হিৰভেলিয়ে (২৭) পানীৰ তলত একেৰাহে ৬ মিনিট ৩ ছেকেণ্ডলৈকে উশাহ-নিশাহ বন্ধ কৰি অতি বঢ়িয়াভাবেই জীয়াই আছিল। এই বাবে হিৰভেলিয়ে কোনো ধৰণৰ দৰব-পাতি নাইবা যন্ত্রপাতি ব্যৱহাৰ কৰা নাছিল। যোৱা ২৫ ফেব্রুৱাৰিৰ দিনা লুণ্ডস্থিত জুফিজিঅ'লজিক্যাল ল্যাবৰেটৰিয়ে উশাহ-নিশাহ বন্ধ কৰি অক্সিজেন নোহোৱাকৈ মানুহ কিমান সময়লৈ জীয়াই থাকিব পাৰে তাৰ এক সঠিক সমীক্ষা কৰিছিল।

অকলশৰে উত্তৰমেৰুলৈ



ৰুপার্ট হ্যাডো (৩২) নামৰ এগৰাকী বৃটিছ অভিযানকাৰীয়ে ৬ মাৰ্চৰ দিনা, খোজ কাঢ়ি কাঢ়ি, লগত বাট-দেখুৱাওঁতা হিচাপে কোনো কুকুৰ-গাইড, কোনো মোটৰগাড়ী, আনকি কোনো অক্সিজেন-মাস্কও নোলোৱাকৈ কেনাডাৰ উত্তৰ-পশ্চিমৰ ওৱাৰ্ড হাণ্টাৰপৰা উত্তৰ মেৰুলৈকে—অকলেই ১.১০ কিলোমিটাৰ পথ—অতিক্ৰম কৰি উত্তৰমেৰু পাইছিলগৈ। উত্তৰমেৰুলৈ একক অভিযানৰ তেওঁৱেই হ'ল প্ৰথমগৰাকী অভিযাত্ৰী।

সৰুদৈ-বৰদৈ চিলা চিলা চিলা !

থাই-ৰাজধানী বেংককৰ আকাশত বিভিন্ন ধৰণৰ বিভিন্ন বৰণৰ বিভিন্ন আকাৰৰ চিলা আৰু চিলা !



চিলাৰ সমদল ! এই আন্তৰ্জাতিক চিলা-উছৱ বেংককেই পাতিছিল যোৱা মাৰ্চ মাহৰ শেষ সপ্তাহত। ১২ খন দেশে এই বিৰাট উৎসৱক এছিয়াত সৰ্ববৃহৎ বুলি কোৱা হৈছে। যিবোৰ মাজত—৮০ মিটাৰ দীঘল কেৰেলুৱা-চিলা—যি-চিলা আহিছিল জাৰ্মানিৰপৰা। জাপানৰপৰা আহিছিল 'যুঁজাৰু-চিলা', ইন্দোনেজিয়াই পঠাইছিল ৫ মিটাৰ দীঘল চিলা। সোণোৱলী-ৰূপোৱালী চিলা পঠাইছিল মালয়েছিয়া আৰু নেপালে, আৰু 'বতাহ নথকা' চিলা পঠাইছিল—ক'ব লাগিছেনে আৰু—আমেৰিকাহে !



মৰমে নাজানে মান

বহু বহু কালৰ আগৰ কথা। শ্ৰাৱস্তী নামৰ নগৰত প্ৰবুদ্ধ নামৰ এজন বুদ্ধিমন্ত যুৱক আছিল। পিতাকৰ মৃত্যুৰ অন্তত প্ৰবুদ্ধই মাকক বৰ আদৰ-যত্নৰে চোৱা-চিতা কৰি থাকিল। প্ৰবুদ্ধই আন সকলো পাহৰি দিনে-নিশাই তাৰ মাকৰ সেৱাত নিযুক্ত হৈ থাকিল। এদিন ত ৰ মাকে তাক ক'লে' "বোপা তুমি এনেকৈ কেৱল মোৰ কথাতে দিন-ৰাতি ব্যস্ত হৈ থকা যদি—তোমাৰ ভৱিষ্যতত ঢেৰ অসুবিধা হ'ব। তাতকৈ বিয়া-বাৰু কৰা, নাতি-নাতিনীয়েৰ আহক, মই সিহঁতৰ সৈতে খেলি থাকিম, ভাল পাম, মোৰো শান্তি হ'ব আৰু তোমাৰো জীৱন নষ্ট নহ'ব।"

মাকৰ কথাখিনি ভাবি চালে প্ৰবুদ্ধই। ভাবি ভাৱি—অৱশেষত এদিন চাকৰি এটাত লাগিল, বিয়াও কৰালে, আৰু আগৰ দৰেই মাকৰ সেৱা-যত্নও চলালে।

প্ৰবুদ্ধৰ ঘৈণীয়েক প্ৰমীলাই গুণি-গাঁথি ইয়াকে বুজি পালে যে—তাইৰ গিৰিয়েক হ'ল—মাকৰ মালৌৰ চাব। মাকৰ মনমেৰেই তেওঁৰ হৈ যায়, সেইহে মোলৈ তেওঁ সিমান ঘূৰিও নাচায়।

গতিকে এইবাৰ তাই গিৰিয়েকৰ কাণ গধুৰ কৰিবলৈ লঠি-পৰি লাগিল। এদিন তাই গিৰিয়েকক ইকথা-সিকথাৰ মাজতে কন্দনামুঈহেন হৈ ক'লে, "আয়ে মোক সমূলি ভাল নাপায়, আপুনি বেয়া পাব বুলি ইমানদিনে নোকোৰাকৈ আছিলোঁ, কিন্তু কথাই দিনক দিনে বেয়ালৈ ঢাল লোৱাত আজি বাধ্যত পৰিয়েই ক'লোঁ। মোৰ প্ৰতিটো কামত

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

তেওঁ ছিদিৰ ধৰে। ভাতখিনি তপতে দিলেও দোষ, ঠাণ্ডা দিলেও জগৰ।"

প্ৰবুদ্ধই পাছদিনা তাৰ মাকক ক'লে, "মা, তোমাৰ যদি ইয়াত কিবা অসুবিধা হৈছে—তোমাৰ ইচ্ছামতে আন ক'ৰবাত থাকিব পাৰাগৈ।"

কিছুদিনৰ অন্তত এদিন প্ৰবুদ্ধৰ মাক অইন এঠাইলৈ গুচি গ'ল—দূৰ সম্পৰ্কীয় আত্মীয় এজনৰ ঘৰলৈ।

শাহুৱেক গুচি যোৱাৰ কিছুদিনৰ অন্তত প্ৰমীলা গৰ্ভৱতী হ'ল আৰু যথা-সময়ত তাইৰ এটি পুত্ৰ-সন্তান উপজিল। তাই প্ৰমীলাই চুবুৰীয়া তিৰোতাইঁতক ক'লে, "দে খি লা ই নহয় — আমাৰ শাহুৱেৰাৰ গুণ? ইয়াত থাকোঁতে মোৰ একো নহ'ল. গ'ল বুলিহে হ'ল।"

কিছুমানে তাইৰ কথাত 'হয়'ও কৰিলে। এই তিৰোতাবিলাকৰ এজনীয়েই এদিন প্ৰবুদ্ধৰ মাকক তেওঁৰ বোৱাৰীয়ে কোৱা কথাখিনি কোৱাত প্ৰবুদ্ধৰ মাকে কৈ উঠিল, "কি ক'লে তাই! কি ক'লে? ইমান ডাঙৰ অপমানৰ কথা পাৰিলেনে ক'ব তাই? ধৰ্ম বোলা একো আৰু আছেনে জগতত?"

এই বুলি কৈয়েই তেওঁ চাউল-পানী আদি লৈ মৰিশালিলৈ গৈ তাত বহি সেইখিনি ৰান্ধি থাকিল।

সেই মৰিশালিতে থকা সাধু এজনে

প্ৰবুদ্ধৰ মাকৰ কাণ্ড চাই সুধিলেহি, "আই, তুমিনো এইবোৰ কৰিছা ? শ্মশানত বহি ৰান্ধিছা কিয় ?"

"সাধুবাবা, জগতত ধৰ্ম নোহোৱা হ'ল, ধৰ্ম মৰিল। সেই মৰা ধৰ্মৰ নামত মই পিণ্ডদান কৰিছোঁ।"

"ধৰ্ম মৰিল বুলি কোনে ক'লে ?"

তেতিয়া প্ৰবুদ্ধৰ মাকে সকলো কথা বিস্তাৰিত ভাবে বুজাই কোৱাত সাধুবাবাই ক'লে, "ঠিক, তোমাৰ পো-বোৱাৰীয়ে তোমাৰ ওপৰত যি অত্যাচাৰ-অবিচাৰ কৰিলে—তাৰে—ধৰ্ম মৰিল বুলি তুমি সঁচাকৈয়েই ভাবিব পাৰা। যি হওক— মই তপোশক্তিৰে সিহঁতক নাশ কৰিম।"

এই বুলি কৈয়েই কমণ্ডলুৰপৰা পানী এচলু হাতত লোৱাৰ লগে লগেই প্ৰবুদ্ধৰ মাকে কৈ উঠিল, "নহয় নহয়—সাধুবাবা, এই কাম নকৰক। সিহঁত মৰিলে মোৰ নাতিটো মাউৰা হ'ব। তেতিয়া তাৰ কি হ'ব, বাবা!" এই বুলি কৈ প্ৰবুদ্ধৰ মাকে কান্দিবলৈ ধৰাত সাধুবাবাই ঘূৰি চাই হাঁহি হাঁহি তাৰপৰা ক'ৰবালৈ গুচি গ'ল।

তিমানতে প্ৰবুদ্ধৰ মাকে শ্মশানত চাউল-চক লৈ অহাৰ কথা দহোখন গাঁৱত দাবাগ্নিৰ দৰে বিয়পি পৰিছিল আৰু এই খবৰ পোৱামাত্ৰেই প্ৰবুদ্ধ আৰু লগতে প্ৰমীলাও তালৈ লৰৰি আহিছিল।

প্ৰবুদ্ধই ক'লে, "মা, এইবোৰ কি কৰিছা ? ব'লা—উঠা, ঘৰলৈ ব'লা।"

প্ৰমীলাজনীয়েও উচুপি উচুপি ক'লে, "মা, মোৰ অন্যায় হৈছিল, মোক আপুনি দিছিল মৰম আৰু মই দিছিলোঁ আপোনাক —মৰণ! মোক মনে-চিতে ক্ষমা কৰক মা! এই ভুল—মৰমৰ সলনি মৰণৰ আওবাট লোৱাৰ ভুল—আৰু কদাপি নকৰোঁ, মা!"

তাৰ পাছত শাহুৱেকে-বোৱাৰীয়েকে মিলি ঘৰলৈ গ'ল আৰু ঘৰ পায়েই মাকে নাতিয়েকক বুকত সাবটি লোৱা হ'ল।

ৰাম নাম জপি থকা হনুমান যেতিয়া ৰামনামতে লীন হৈ আছিল, তেতিয়া সৃষ্টিকৰ্তা ব্ৰহ্মা হনুমানৰ ওচৰলৈ আহিল আৰু হনুমানক ক'লে, "হনুমান, কলিযুগ আৰম্ভ হওঁ হওঁ হৈছে। তুমি কলিযুগত ইয়াত থাকি বৰ টান পাবা। তুমি এতিয়াই ক্ষীৰসাগৰলৈ গমন কৰাঁ।"

তেতিয়া শ্ৰীবিষ্ণু ক্ষীৰসাগৰত শেষ শয্যাত শয়ান। তাত তেতিয়া সংগীতবিদ তুম্বুৰ আৰু নাৰদমুনি সত সংগীতৰতা। নাৰদমুনিবৰে তেওঁৰ ত্ৰিলোকখ্যাত বীণা ঝংকাৰিছে আৰু ভক্তিগীতি গাইছে। তুম্বুৰেও নিজক নাৰদতকৈও ডাঙৰ সংগীতবিদ বুলি প্ৰমাণিত কৰিবলৈ হয়গ্ৰীৱ নামৰ বীণাত শাস্ত্ৰীয় সংগীত শুনাবলৈ ধৰিছে। তুম্বুৰে মাজে-সময়ে বীণাৰ তাঁৰেতে মৃদংগ-ধ্বনিৰ সৃষ্টি কৰিছে।

আৰু মুনিবৰ নাৰদ আৰু তম্বুৰ মাজত কোন ডাঙৰ—সেই কথাত এওঁলোকে শ্ৰীবিষ্ণুক অহোৰাত্ৰ জলা-কলা কৰিছে।

বিষ্ণুৱে এদিন দুয়োকো ক'লে, "মোৰ পক্ষে এই নিৰ্ণয় দুঃসাধ্য। এটা কাম কৰা। গন্ধমাদন পৰ্বতত এক বানৰক পাবা। সেই বানৰক 'ৰামচন্দ্ৰই মাতি পঠাইছে' বুলি কোৱাগৈ আৰু তোমালোকে তোমালোকৰ সংগীতিক প্ৰতিভাৰ পৰিচয়ো সেই বানৰৰ আগত দাঙি ধৰাগৈ। সেই বানৰেই তোমালোকৰ

'ক্ষীৰসাগৰত জীৱন অতিবাহন'

উভয়ৰে সংগীত-প্ৰতিভাৰ সঠিক মূল্যায়ন কৰিব পাৰিব।"

বিষ্ণুৰ এনেহেন প্ৰস্তাৱত মুনিবৰ নাৰদ আৰু তুম্বুৰো বিভ্ৰান্ত যেন হ'ল। কিন্তু সাতে-সোতৰই ভাবি ভাবি তেওঁলোক উভয়েই গন্ধমাদনীয় বান্দৰৰ ওচৰলৈ গ'ল। তালৈ গৈ পোৱাৰ আগতেই হনুমানৰ ৰাম-নাম-গীতি তেওঁলোকৰ কাণত পৰিল আৰু তালৈ গৈ গীতমগ্ন হনুমন্তৰ আগত থিয় হৈ থাকিল।

হনুমন্তই মধুৰ মধুৰ তানেৰে ৰামনাম গাই আছিল। সেই গায়ন-পদ্ধতি আছিল এক স্বৰ্গীয় পদ্ধতি আৰু সেই গায়ন শুনি নাৰদ-তুম্বুৰু স্তব্ধ হৈ ৰৈ থাকিল।

তেওঁলোকে উপলব্ধি কৰিলে যে এই বানৰহনুমন্ত হ'ল উচ্চকোটিৰ নাদ-উপসক, যি-নাদৰ একমাত্ৰ অৱলম্বন হ'ল— ৰামনাম। হনুমানৰ গায়নভংগীৰ আগত যে তেওঁলোকৰ গায়ন-বাদন বিশুষ্ক— সেই কথাতো তেওঁলোক সুনিশ্চিত হ'ল আৰু তেওঁলোকও ৰামনাম গাই থাকিল।

তাৰ পাছত হনুমানে যেতিয়া গান বন্ধ কৰিলে, তেতিয়া তাত তুম্বুৰু আৰু মুনিবৰ নাৰদক দেখা পাই ছুয়োকো পাদস্পৰ্শ কৰি প্ৰণাম কৰিলে।

তুম্বুৰ আৰু নাৰদে হনুমানক ক'লে, "মহাশয়, আপুনি আমাৰ পাদস্পৰ্শ কৰাটো ঠিক হ'লনে? আমি অতি সাধাৰণ তুম্বুৰু আৰু নাৰদ।"

"আপোনালোক যেৱেঁই নহওক, ৰাম-নাম জপি থকামাত্ৰেই মোৰ প্ৰণম্য, আৰাধ্য। অতি অধম মানৱ এজনেও যদি ৰামনাম কৰে—মোৰ দৃষ্টিত তেৱোঁ মহান। ৰামভক্ত হ'ল উত্তম মনুষ্য আৰু মোৰ পৰম আৰাধ্য।" হনুমানে ভক্তি-ভাৱেৰে ক'লে।

হনুমানৰ সংগীত-জ্ঞান আৰু ভক্তিলৈ চাই তুম্বুৰ আৰু মুনিবৰ নাৰদ অবাক হ'ল।

তেওঁলোকে অসংখ্য ভক্তক দেখিছিল, ভক্তৰ কথা শুনিছিল, কিন্তু এনেহেন

নিষ্ঠাৱান ভক্ত দেখাও নাছিল, শুনাও নাছিল। আৰু—মাত্ৰ ৰাম নামেৰে যে এনে স্বৰ্গীয় গীতসুধা বিলাব পাৰি, তাকো জনা নাছিল।

আটাইতকৈ আচৰিত কথা আছিল এয়ে যে—এওঁৰ দৃষ্টিত ৰামনামজপকাৰী পাপীও পুণ্যবান!

এইবাৰ তেওঁলোকৰ মনত পৰিল যে তেওঁলোক কিয় ইয়ালৈ আহিল।

নাৰদমুনিয়ে হনুমানক ক'লে, "ৰামচন্দ্ৰই তোমাক মাতি পঠাইছে। তেওঁ ক্ষীৰসাগৰত শেষশয্যাত শায়িত।"

ৰামনাম শুনামাত্ৰেই অতি আনন্দিত হনুমান তেওঁলোকৰ সৈতে তৎক্ষণাৎ ক্ষীৰসাগৰলৈ বুলি গৈ থাকিল।

ক্ষীৰসাগৰত গৰুড়ে হনুমানলৈ স্বাগতম্ জ্ঞাপন কৰিলে, কুশল-মংগল সুধিলে, আৰু তাৰ পাছত উভয়ে একেলগে শ্ৰীবিষ্ণুৰ ওচৰলৈ খোজ ল'লে।

বিষ্ণুৰ ওচৰ পাই—হনুমানে বিষ্ণুৰ মাজতে ৰামচন্দ্ৰক প্ৰত্যক্ষ কৰিলে আৰু তেতিয়া হনুমানৰ মনত পৰিল যে ৰামচন্দ্ৰ আৰু বিষ্ণু একেই।

হনুমানে বিষ্ণুক অতি ভক্তিপূৰ্ণভাবে প্ৰণাম কৰিলে।

শ্ৰীবিষ্ণুৱে হনুমানক ক'লে, "হনুমান! তুম্বুৰু আৰু মুনিবৰ নাৰদ মাজত সংগীতৰ কথাত কিঞ্চিত প্ৰতিযোগিতাৰ সৃষ্টি

হৈছে। তুমি তেওঁলোকৰ সংগীত-শ্ৰেষ্ঠতাৰ পৰীক্ষা ল'বা—এয়ে মোৰ অন্তৰৰ ইচ্ছা। তেওঁলোকৰ মাজত শ্ৰেষ্ঠ কোন—সেই কথাটি কৈ দিব লাগিব। তুমি নিজেও অতি উচ্চ-কোটিৰ সংগীতজ্ঞ। গতিকে—এই দুৰূহ নিৰ্ণয়—একমাত্ৰ তুমিহে কৰিব পাৰিবা।—কিন্তু তেওঁলোকৰ এই পৰীক্ষা গ্ৰহণৰ আগতে মোক গীত গাই শুনোৱা।"

হনুমানে ক'লে, "ৰাম — ৰাম! আপুনি যে কিমান ডাঙৰ দায়িত্ব মোৰ ওপৰত জাপি দিলে! মই কোনো সংগীতজ্ঞয়েই নহওঁ। মই স ৰ গ ম নজনা এক সংগীত-অনভিজ্ঞ পৱনপুত্ৰ বানৰ মাথোন। মহামহিমৰ সমুখত গোৱাৰ যোগত্যা মোত ক'ত?"

"হে হনুমান! তোমাৰ যোগ্যতাৰ পৰিমাপ তুমিনো কেনেকৈ কৰিবা? তুমি সূৰ্য্যদেৱৰপৰা সমস্ত শাস্ত্ৰকলাৰ জ্ঞান লভিলা। আনে নোকোৱালৈকে তুমি তোমাৰ শক্তিৰ বিষয়েও একো গম নোপোৱা। যি কি নহওক—মোৰ কথা শুনা, তুমি এতিয়া গীত আৰম্ভ কৰা।" শ্ৰীবিষ্ণুৱে ক'লে।

হনুমানে নিজৰ নামৰ 'হ'-ৰপৰা লৈ 'হা' উচ্চাৰি গীত আৰম্ভ কৰিলে বিষ্ণুৰ পৰমপ্ৰিয় হিন্দোল ৰাগেৰে।

কিছু সময় ধৰি হিন্দোল ৰাগ গোৱাৰ অন্তত হনুমান লাহে-ধীৰে বৈজয়ন্তী ৰাগলৈ বাগৰিল আৰু এইদৰে দুই আখৰৰ 'ৰাম' নামৰ অৱলম্বনত অসংখ্য ৰাগ-ৰাগিণীলৈ বিহাৰ কৰি থাকিল। তেতিয়া ক্ষীৰসাগৰ গীত-তৰংগৰ তালে তালে আন্দোলিত হৈ থাকিল আৰু তুম্বুৰু-নাৰদ-মুনিও সেই ৰামনামৰ গীত-তৰংগৰে উটি-ভাহি থাকিল।

সংগীতেৰে এনেহেন অনুভূতি তেওঁলোকৰ মাজত কদাপি হোৱা নাছিল। এই গীত-তৰংগই আকাশ-নক্ষত্ৰকো ঢাকি পেলালে, শেষনাগে তেওঁৰ সহস্ৰ ফণা

বন্ধ কৰি আন্দোলিত হৈ থাকিল আৰু তেতিয়া হনুমানে অতি শান্ত স্বৰলহৰীৰে দেৱগান্ধাৰ ৰাগ আলাপন কৰি থাকিল।

শ্ৰীবিষ্ণুৱে হনুমানৰ এনে স্বৰ্গীয় সংগীতসুধা পান কৰি বিমোহিত হ'ল। তুম্বুৰ আৰু নাৰদমুনি প্ৰায় অবশ-বিবশ হৈ পৰিল। ক্ষীৰসাগৰ প্ৰায় স্তব্ধ হৈ পৰিল আৰু সাগৰজল হিমৱৎ হৈ গোট মাৰি যাবলৈ ধৰা দেখি শ্ৰীবিষ্ণুৱে হনুমানক ইংগিতেৰে ৰখালে।

তেতিয়াহে নাৰদমুনি আৰু তুম্বুৰে উপলব্ধি কৰিলে—তেওঁলোকৰ মাজত থকা সংগীতৰ জ্ঞান কিমান যে ভংগুৰ—ঠুনুকা। তেওঁলোকৰ মাজত থকা সাংগীতিক গৰ্ব চূৰ্ণ-বিচূৰ্ণ হ'ল আৰু তেওঁলোক লাজত অধোবদন হ'ল। ৭

বিষ্ণুৰ আদেশানুসাৰে হনুমানে পুনৰ গীতাৰম্ভ কৰিলে। ভূপাল, বসন্ত, ঝিন্‌ঝোটি, দীপিকা আদি ৰাগ-ৰাগিণীৰ ভিত্তিত 'ৰামনাম' গাই শুনালে তেওঁ।

এইসকল ৰাগ-ৰাগিণী গাওঁতে সেই-সকল ৰাগ-ৰাগিণীয়ে মূৰ্তি এক প্ৰলয়ৰ সৃষ্টি কৰিলে।

কৈলাস পৰ্বতত শিৱই ডম্বৰু বজাই তাণ্ডৱনৃত্য কৰিবলৈ ধৰিলে আৰু তাৰ পাছত পাৰ্বতী, গণেশ আৰু প্ৰমথগণকো লগত লৈ সংগীতমত্ত দেৱাদিদেৱ শিৱ ক্ষীৰসাগৰলৈ আহিল।

ব্ৰহ্মায়ো পদ্মাসন এৰি তালৈ আহিল। লগতে আহিল বীণা বাদনৰতা সৰস্বতী। ইন্দ্ৰ প্ৰমুখ দেৱতাসকলো আহিল। আৰু —তেতিয়া হনুমন্তৰ সুৰ তৰংগেৰে ক্ষীৰ-সাগৰ পুনৰ দোলায়িত হৈ থাকিল।

ক্ষীৰসাগৰত তেতিয়া উৎসৱৰ আমেজ। তাত থকা লক্ষ্মী-নাৰায়ণক নৱ বৰ-বধূ যেন লাগিছিল। হনুমানে তন্ময় হৈ গীত গাই থাকিল আৰু কল্পনা-লোকত ৰাম-সীতাৰ মিলনস্থলত বিহাৰ কৰি থাকিল।

তুম্বুৰ আৰু মুনিবৰ নাৰদেও বীণা হাতত ল'লে আৰু আদিশেষে তাতেই নিজ-শয্যা ৰচিলে।

সৰস্বতীয়ে কৈ থাকিল, "হনুমানৰ এই গায়ন-ৰীতিক এতিয়াৰপৰা হনুমদগীতি বুলি স্থায়ী ভাবে অভিহিত কৰা হ'ব। হনুমদ্গীতিয়ে জগতৰ কি পণ্ডিত কি সাধাৰণ লোককো সংগীতৰ অপাৰ জ্ঞান প্ৰদান কৰিব। নাৰদীয় সংগীত হ'ল ভাব-প্ৰধান আৰু তুম্বুৰু-গীতি হ'ল তাল-প্ৰধান। কিন্তু ৰাগ-ৰাগিণীৰ আলাপ হ'ল প্ৰাণ-সমান। হৃদয়ত ৰাগ-ৰাগিণীৰ প্ৰভাৱে অতুলনীয় আবেগ-প্ৰবাহ সৃষ্টি কৰে। হনুমদগীতি হ'ল ৰাগ প্ৰধান।"

সৃষ্টিকৰ্তা ব্ৰহ্মাই ক'লে, "হে হনুমান! কোনো উদ্দেশ্যে হৃদয়ত নোলোৱাকৈয়েই তুমি যে কঠোৰ তপস্যাত ব্ৰতী হৈছিলা—তাৰ মূল্যায়ন স্বয়ং ব্ৰহ্মায়ো কৰিবলৈ অক্ষম। তাতকৈ উন্নত হৃদয়গত উপলব্ধি আৰুনো কি? মই কওঁ, তুমি আগলৈ—হয়, তুমিয়েই আগলৈ হ'বা—ব্ৰহ্মা। ৰাম নাম নিৰন্তৰ পৰম নিষ্ঠাৰে জপ কৰি তুমি যেনেহেন ঘোৰ তপস্যা কৰিছা, তাৰ ফলস্বৰূপেই ভৱিষ্যতত সৃষ্টিৰ গুৰুভাৰ দায়িত্ব তুমিয়েই বহন কৰিবা—এয়ে হ'ল বিধিৰ বিধান। তাৰোপৰি, দূৰ ভৱিষ্যতত তুমিয়েই হ'বা মানৱৰো সৃষ্টিকাৰী।"

ব্ৰহ্মাৰ বক্তব্যৰ অন্তত দেৱাদিদেৱ শিৱ আগবাঢ়ি আহিল আৰু তেওঁ ক'লে,



"হে হনুমান! এই জনা ব্ৰহ্মাৰ সৃষ্টিত প্ৰকৃত উত্তম প্ৰাণী কমেইহে সৃষ্টি হৈছে, আৰু অধিকভাগ প্ৰাণী তথা মনুষ্য হৈছে অধমশ্ৰেণীৰ। এতিয়াও অধম শ্ৰেণীৰ মনুষ্যয়েই অধিক সংখ্যাত সৃষ্টি হৈ আছে। সৃষ্টিকৰ্তাই নিজৰ সৃষ্টিৰ ভাল-বেয়ালৈ দৃষ্টিদান নকৰাত, মনযোগ নিদিয়াতহে এনে লণ্ডভণ্ড কাণ্ড ঘটিল আৰু ঘটি আছে। পৰিপূৰ্ণ মানৱতাৰ প্ৰতি অনাস্থাও এনে বিপৰ্য্যয়ৰ হেতু। তুমি যদিও বা-নৰ, সততেই ৰামকেন্দ্ৰিক হৈ আৱৰ্তিত হোৱা-হেতুকে তোমাৰ সৃষ্টি এতিয়াতকৈ পৱিত্ৰ হ'ব বুলি আমাৰ বিশ্বাস হৈছে। তোমাৰ সৃষ্টিকালত ৰামচন্দ্ৰহেন নৰ, সীতাহেন নাৰী, লক্ষ্মণহেন ভাতৃ তথা আদৰ্শ নাৰী-পুৰুষ অযুত-নিযুত সংখ্যাতে সৃজিত হ'ব। সৃষ্টিৰ গুৰি-ধৰোঁতা নোহোৱালৈকে তুমি বিষ্ণুৰে সৈতে এই ক্ষীৰসাগৰতে থাকিবা।"

ব্ৰহ্মাই পুনৰ ক'লে' "কিছুসংখ্যক সদ্‌গুণসম্পন্নৰ মাজত অসদ্‌গুণসম্পন্নও সৃষ্টি হয়। কিন্তু অসদ্‌গুণসম্পন্নইতক শুধৰাব পাৰি। এই কাৰ্য্য বৰ জটিলও নহয়। তোমাৰ সৃষ্টিকালত এই কাৰ্য্য সহজেই সম্ভৱ হৈ উঠিব। ভৱিষ্যতত বিষ্ণুৰ নাভিমূলৰপৰা কমল বিকশিত হ'ব আৰু সেই কমলত পদ্মাসনত বহি তুমি ভৱিষ্যৎ ব্ৰহ্মাৰ কৰ্তব্য সাধিবা। প্ৰকৃত কথা হ'ল এয়ে যে—হে হনুমান! তুমিয়েই ভৱিষ্যতৰ ব্ৰহ্মা, ভৱিষ্যতৰ সৃষ্টিকৰ্তা!"

তাৰ পাছত—হনুমানৰপৰা সকলোটিয়েই মংগলগীত শুনিবলৈ আগ্ৰহ প্ৰকাশ কৰাত হনুমানে শ্ৰীৰামনাম অৱলম্বন কৰি মংগলগীত গাবলৈ ধৰিলে।

অতঃপৰ—নাৰদ, তুম্বুৰ, গৰুড় ত্ৰিমুখৰ সৈতে হনুমানে ক্ষীৰসাগৰত লক্ষ্মী-নাৰায়ণকে সীতা-ৰামচন্দ্ৰ বুলি গণ্য কৰি তেওঁলোকৰ সেৱাত মগ্ন হৈ জীৱন অতিবাহন কৰিবলৈ ধৰিলে। [অন্ত]

ঘৈণীয়েই ঘৰ

কমলনাথৰ ঘৈণীয়েকৰ নাম কমলা, আৰু গাঁৱৰ নামও কমলাপুৰ। গাঁৱে-মানুহে সমিল মিল, কিন্তু হ'লে কি হ'ব— গিৰিয়েকে-ঘৈণীয়েকে একেবাৰে অমিল ; সদায় খিটিংখাটাং দন্দ-বান্দ বাচ্যাবাচ্যি খেচাখেচি। অতি নগণ্য কথাতো জঘন্য কাজিয়া-কন্দল। কথাত বোলে — তিৰীয়ে-পুৰুষে হৈবা এক মতি—তেৱেঁসে সিজিব হৰিত ভকতি। আৰু ইইঁতঃলৰ কথা হ'ল—তপত ভাতক চেঁচা কৰোঁ হেঁচা-পোতোকা দি।

এনিশা—মাজনিশা শোৱাকোঠাত মেকুৰী এজনী সোমাল আৰু মেও মেও শুনি কমলনাথ জাগি উঠিল। কিন্তু কমলাৰ নাকৰ ঘোৰ্ঘোৰ তেতিয়াও চলিয়েই আছিল। কমলনাথৰ উঠিল খং। সি কৈ থাকিল, "হাৰে কুম্ভকৰ্ণৰ ভনীয়েৰ, শোৱাৰ আগতে দুৱাৰ-খিৰিকী মাৰিবলৈ কওঁযে—কাণতেই নোসোমায়নে? এতিয়া উঠি মেকুৰী হটাব লাগে।"

কমলায়ো সাৰ পাইছিল তিমানতে। তাই ক'লে, "মাজনিশা কিয় চিল্লাইছা এইদৰে— ? মেকুৰী মই কেলেই, তুমি হটোৱাচোন। এজনী মেকুৰীক খেদিবলৈ কিমানক লাগিছেনো ?"

তাই যে বিছনা এৰি নুঠে, বুজি পাই কমলনাথে লাঠি এডাল লৈ মেকুৰী খেদোৱাত লাগি পৰিল আৰু বহু চেষ্টাৰে মেকুৰীজনীক খেদি খেদি ঘৰৰ ঘাই দুৱাৰ খুলি উলিয়াই দিব পৰা হ'ল।

হ'ল—উলিয়াই দিব পৰা, কিন্তু লগে লগে সোমাই আহিব পৰা বাটো মুকলি

হলধৰ পাতৰ

কৰি দিয়া হ'ল। সোমাই আহিল—দুটা চোৰ। এটা বগা, এটা ক'লা। ক'লাচোৰে লাহে-ধীৰে ঘৰৰ দুৱাৰখন বন্ধ কৰিলে, দুৱাৰডাং গিৰিহঁতৰ দৰে ঠিকেঠাকে লগালে আৰু তাৰ পাছত কমলনাথক এটা খুটাৰ লগত গলে-খুটাই বান্ধিবলে।

তিমানতে ভেবাচেকা খোৱা কমলনাথে কিছু-কিঞ্চিত সাহস সঞ্চয় কৰি ক'লাচোৰক ক'লে: "পূৰা ৰছীৰে মোক নাবান্ধিব, সিটো কোঠাত মোৰ পৰিবাৰ আছে যে—তাইকো নাবান্ধিবনে?"

"তিৰোতাহঁতক ধমকিৰেই ঠাণ্ডা কৰিব পাৰি।" চোৰটোৱে ক'লে, "চিকা মাৰি হাত গোন্ধোৰাত আমি নাই।"

ক'লা চোৰ কমলাৰ কোঠালৈ আহিল. কমলাই সিকাতি হৈ দিলে আৰু ক'লে. "তুমিনো কেন্ মতামানুহ কোৰাচোন? এজনী মেকুৰী খেদোঁতেই ইমানকৈ খোলা তাৰিছা! মেকুৰী নহয়. বাঘ খেদিছা যেনেহেলাগিছে!" কমলাই ক'লাচোৰকে কমলনাথ বুলি ভাবি কৈছিল।

"তোমাৰ গিৰিয়েৰাৰ অৱস্থা নিজেই চাবা—ব'লাচোন মোৰ লগত—।" এই বুলি কৈ ক'লা চোৰে কমলাক লাঠিৰে খুচি দিলে। আৰু তেতিয়াহে কমলাই পৰিস্থিতিৰ বুজ পালে।

ক'লা চোৰে কমলাক কমলনাথৰ ওচৰলৈ লৈ আহিল। কমলনাথৰ অৱস্থালৈ চাই কমলাই হো হোৱাই হাঁহি উঠি ক'লে, "মই এওঁক এনেকৈ গলে খুটাই বন্ধাৰ চিন্তা — বহুদিনৰেপৰা কৰি আছিলোঁ। আজি এওঁৰ এনে দুৰ্দশা দেখি ইমান যে ৰং পাইছোঁ—!"

শুনি—চোৰ দুটাৰ মুখে কিছু শেঁতা পৰিল। গিৰিয়েক-ঘৈণীয়েকৰ মাজত যে খোৱা-কামোৰা চলি আছে—চোৰ দুটাই অতি সহজেই সেইটি কথা বুজি পালে আৰু ভাবিলে: এতিয়া আমাৰ কাম হাছিল কৰাটো ঢেৰ সহজ হ'ল।

ক'লাচোৰে কমলাক ক'লে, "চুপ হৈ থাকা। ঘৰত য'ত যি দামী বস্তু আছে— চব গোটাই-পিটাই লৈ আহা!"

"দামী বস্তু—মোৰ কোঠাতহে আছে। ইয়াত তামৰ আৰু কাঁহৰ বাচন-বৰ্তনৰ বাহিৰে আন কিনো আছে? সিমান একো নাই। পিছে—মোৰ ভুচুংটোৱে কালি দৰমহা পাই আছুতীয়াকৈ থৈ দিছে মোক নেদেখুৱাকৈ—যদিও জানো মই সি চিপিৰাকটীয়াই ক'ত থয়। সি কটাই কিমান দৰমহা পায় পাটীৰ তিৰোতাকো নকয়। তাৰ সেই দৰমহাৰ টোপোলাটো লৈ আহক, আৰু ক'লাচোৰ ভাই—গস্তি কৰি মোকো কওকেই—সি গৰুৱাগলাই পায় কিমান।"

ঘৈণীয়েক কমলাৰ কথাত জকজকাই উঠি কমলে কৈ উঠিল, "হাৰে ভূতুনী, দৰমহাৰ টকাখিনি যে চোৰক দিছ—ৰাইকুহ খাৰনে খাবি কি পেটত গামোছা বান্ধি থাকিবিনে চৰা লঘোন দি— ?"

ক'লাচোৰে কমলৰ দৰমহাৰ টোপোলাটো লৈ আহিল আৰু সেই টোপোলা নোখোলাকৈয়েই কমলাক ক'লে, "ভনী, ধন গস্তি কৰি অহা আউসীৰ ৰাতি তোমাক কৈ যামহি—সি কিমান পায়।"

"ঠিক আছে ভাই, অহা আউসীত



নহয় যদি পাছত ক'লেও হ'ব, মুঠমাঠ মই জানিলেই হ'ল। আৰু এটা বস্তুও লৈ যোৱা। মোৰ মাই তাক ভাল পাই হীৰাৰ আঙঠি এটা দিছিল। সি গাহৰিয়ে কি বুজিব হীৰাৰ আঙঠিৰ মোল? তুমিয়েই পিন্ধা।"

কমলাই আঙঠি এটা কলা'চোৰটোক আনি দিলে।

কমলনাথে খঙতে একো নাই হৈ চোৰটোক ক'লে, "হেৰি ডাঙৰীয়া, তেনেহ'লে তাইৰ গহনাপাতিখিনিও আপোনালোকে লৈ য'ক। সেইখিনি তাই সদায় আমাৰ বাৰীত থকা পানী

নোহোৰা দ'কুঁৰা এটাত থৈ দিয়ে চোৰৰ ভয়ত। ময়েই থৈ দিওঁ, আৰু' তাই ক'ৰবালৈ ওলাওঁতে ময়েই কুঁৰাৰপৰা আৰু' উঠাই আনি দিওঁ তাইক। তাইৰ দৰে ডাইনী এজনীক বিয়া কৰাই মোৰ এনে অথন্তৰীয়া অৱস্থা!"

কমলাই চিঞৰিয়েই কৈ উঠিল, "বিয়া কৰোৱাৰ কিমান বছৰ যে হ'ল—। কিন্তু তাক বিয়া কৰাই কি লাভ হ'ল মোৰ? সি জহনীত যোৱাই কেতিয়াবা এচিকুট সোণও কিনিছেনে? তিৰোতাক যে গহনা-গাথৰি লাগে—সি-বেটাই বোলে নাজানেই! আৰু—এতিয়া মোৰ মাই মোক দিয়াখিনিও সি নিধকে লোকক দিবলৈ লাজ পোৱা নাই!"

ক'লাচোৰে কমলাক ক'লে, "চিঞৰি নাথাকিবা। চুপচাপ আমাক সেই কুঁৰালৈ লৈ ব'লা।"

কমলনাথে হাঁহি মাৰি কিবা ক'বলৈ চেষ্টা কৰাত কমলাই ক'লাচোৰক ক'লে কমলৰ মুখত কাপোৰ-কানি ভৰাবলৈ। কিয়নো—নহ'লে সি নোমটেঙৰ কমলে হেনো চিঞৰি মানুহ মাতিব পাৰে।

হয় তো!

চোৰ দুটাই ভাবিলে: কথাটো সঁচা। আৰু—আমি এই কথালৈ মনেই কৰা নাছিলোঁ! যি হওক—কমলনাথৰ মুখত কমলাজনীয়েই আনি দিয়া ফটাকানি ভৰাই—তাৰ পাছত সেই দ' কুঁৰাটোৰ ভিতৰত বগা চোৰটোক নমাই দিলে।

তেতিয়া কমলাই ক'লা চোৰটোক ক'লে, "শুনা ভাই, মোৰ ভুচুংটোৰ বুঢ়ী মাৰাই যাব বিন্দাবনলৈ, আৰু সেইবুলি বুঢ়ীয়ে তেওঁৰ পুৰণিদিনীয়া গধুৰতো গধুৰ গহনাখিনি আমাৰ ইয়াত গ'ল থৈ। সেইখিনিও নল'বানে?"

ইপিনে—কুকুৰাৰ মাত শুনা গৈছিল। ক'লাচোৰে কমলাক ক'লে, "দিবা যদি—জল্‌দি কৰা, ৰাতি পুউৱালৈকে নৈ

থাকিব নোৱাৰোঁ নহয়— ?

কমলাই ক'লা চোৰটোক ইটো-সিটো বহুতো বস্তু দ'মাই থোৱা কোঠা এটালৈ লৈ গ'ল আৰু তাত থকা ওখ চাঙত উঠি গধুৰ গহনাখিনিৰ টোপোলাটো বিচাৰি উলিয়াবলৈ ক'লে। ক'লা চোৰ চাঙত উঠিল, আৰু লগে লগে কমলাই সেই কোঠাটোৰপৰা ওলাই আহি কোঠাৰ দুৱাৰ বন্ধ কৰি বাহিৰৰপৰা শিকলি উঠাই দিলে আৰু গিৰিয়েক কমলক তৎক্ষণাৎ মুক্ত কৰিলেগৈ।

কমলনাথে কমলাক সুধিলে, "চোৰ দুটা ক'ত?"

"ইটো আকাশত,আনটো পাতালত।" কমলাই হাঁহি হাঁহি ক'লে।

কমলনাথে জকজকাই উঠি ক'লে, "সকলো কথাতে ৰং-ৰহইচ কৰি নাথাকিবা। ভাঙি-পাতি কোৱা—চোৰ দুটা ক'ত?"

"শুনা, সেই যে কয় নহয়—ঘৰখনৰ ভিতৰত একেটি গৰু তাক দিছিলোঁ এৰাল, বতাহ এজাক মাৰিলে সি-ও লৰ মাৰি পলাল—তোমাৰো অৱস্থা তেনেকুৱাই হ'ল। মেকুৰী এজনীক খেদিবলৈ পঠালোঁ—চোৰ দুটাক লৈ আহিলা। যেই কি নহওক—চোৰ দুটাৰ এটা আছে কুঁৱাত, কুঁৱালৈ নমা ৰছীডাল মই কাটি দিলোঁ—ভয় নাই। বগা আছে কুঁৱাত, আৰু ক'লা আছে চাঙত, শিকলিৰে বন্ধ কোঠাত। এতিয়া গাঁৱৰ গাঁওবুঢ়াক মাতি আনি ইহঁত দুটাক গটাই দিয়া। মনত ৰাখিবা—ঘৈণীয়েই ঘৰ, ঘৈণী নহ'লে ঘৰ অথৰ!" কৈ কৈ কমলাই খিক খিককৈ হাঁহি থাকিল।

পাছত—গাঁওবুঢ়াই এই দগধা চোৰ দুটাক অভিনৱ কৌশলেৰে হাতে-লুটে ধৰাত — ঘৈণীয়েক কমলাৰ উপস্থিত বুদ্ধিৰ শলাগ লৈ কমল-কমলাক ৰাজদুৱাৰেকৈ পুৰস্কৃত কৰিছিল।



কুৰীয়া আৰু সুৰীয়া

নাম তাৰ সুৰধৰ। সুৰধৰ গায়ক। কিন্তু তাৰ ঢুৰ্কপাল, গান তাৰ কোনেও শুনিবলৈ নিবিচাৰে। কিয় যে এনেকুৱা হয়—সি ক'বই নোৱাৰে। তাৰ ধাৰণা সি বঢ়িয়া গায়, কিন্তু কিয় যে শ্ৰোতাহঁত গুচি যায়!

সুৰধৰৰ পেহীয়েকো আছিল গায়িকা। পেহীয়েক মালিনীক সুৰধৰে টানি ক'লে, "অ'—পেহী, মোক আৰু ভালকৈ গান গাবলৈ শিকোৱা। মোৰ গান ৰাইজে শুনক, মোৰ গানৰ শলাগ লওক, এয়ে মোৰ ইচ্ছা।"

"শুনা, আগতে মোৰ গানো কোনেও নুশুনিছিল। কিন্তু যেতিয়া মই বুঢ়ী, তেতিয়াহে মোৰ আদৰ বাঢ়িল আৰু ৰাইজো আহিল একুৰি-ঢুকুৰি-ঢাকুৰি। ডাঙৰ হোৱা, তোমাৰ গানো ৰাইজে শুনিবই।" মালিনীয়ে সুৰধৰক বুজাই-ফুটাই ক'লে।

"বুঢ়া হোৱালৈ মোৰ মন নাই, ধৈৰ্য্যও নাই। মই নহওঁয়েই বুঢ়া, তুমি মোক ভালকৈ শিকাই ডাঙৰ গায়ক কৰা।" সুৰধৰে ক'লে।

"শুনা, মই অলপ-অচৰপ গাবহে জানো, শিকাবৰ কিটিপ মই নাজানো। তাতকৈ—কাম এটা কৰা। মই তোমাক মিঠাই-টিঠাই বনাবলৈ শিকাবো পাৰোঁ, তাকে শিকা, পাবা টকা।" মালিনীয়ে সুৰধৰক ক'লে।

"কি কৈছা!" সুৰধৰে আচৰিত মানি ক'লে, "ক'ত গান—আৰু ক'ত ৰান্ধন-বাঢ়ন! ক'ত গান—আৰু ক'ত ধন! এইবোৰত মোৰ নাই মন।"

হাছমৎ মিঞা



"তোমাৰ গান কিছুমানে শুনক—এয়ে যদি তোমাৰ ইচ্ছা, তেনেহ'লে বনোৱা মিঠাই, লোৱা মানুহ গোটাই, মিঠায়ো খাওক গানো শুনক। ইয়াৰ বাহিৰে উপায়ো নেদেখোঁ।" মালিনীয়ে সুৰধৰক খাৰাংখাচ ক'লে।

যদিও পেহীয়েকৰ এই উপায় সুৰধৰৰ বৰ পছন্দ ন'হল— তথাপি — মিঠাই বনোৱাৰ কিটিপ পেহীয়েকৰপৰা সি শিকি ল'লে আৰু তাৰ পাছত এদিন সুধিলে, "এতিয়া কি— ?"

"কি মানে—আৰুনো কি ? মিঠাই বনোৱা আৰু বেচা। ঢেৰ পইচা আৰ্জি হোৱা গানৰ ফেঁচা।" মালিনীয়ে ক'লে।

"গান এৰি মিঠাইবলা হ'বলৈহে মই মিঠাই বনাবলৈ শিকিলোঁনে— ? লোকক গান শুনাম বুলিহে শিকিলোঁ।"

সুৰধৰৰ কথাৰ উত্তৰত মালিনীয়ে ক'লে, "হতাশ নহ'বা। মোৰ কথা শুনা। তোমাৰ দোকানৰ মিঠাই যদি ভাল হয়, ঢেৰ মানুহ আহিব নিশ্চয়। সেইবোৰৰ কিছুমানে তোমাৰ গানৰ গোঁগোঁৰনি শুনাকৈ থাকিবনে ?"

পেহীয়েকৰ কথাটো সুৰধৰে দলিয়াই নেপেলালে। সি দোকান এখন ল'লে। মিঠাইৰ দোকান পাতিলে। আৰু—তাৰ পেহীয়েকে কোৱাৰ দৰেই—কিছুমানক বিনা পইচাৰে মিঠাই খুৱাই দোকানৰ পিছফালে বহি গান গাই শুনাবলৈ ধৰিলে।

এইবাৰ সুৰধৰে ভাবিলে: ইমান দিনৰ মূৰকতহে 'সুৰ'ক মই ধৰিলোঁ। আৰু সুৰৰ এৰণ নাই সাৰণ নাই। যেয়ে আহক, মোৰ গান শুনিবই লাগিব, নুশুনিবি বোলে বেটুটাইত ?

সুৰধৰে এইদৰে প্ৰতিদিনেই মানুহ ধৰি ধৰি মিঠাই খুৱায় আৰু তাৰ গান শুনায়। প্ৰথমৰফালে খাওঁতাই খাই ভদ্ৰতাৰ কাৰণে বহি লৈ শুনিছিল সুৰধৰৰ অপূৰ্ব সুৰ, কিয়নো কেৱল গানেৰেই

নহয়, মিঠাইৰেও সুৰধৰে পেট কৰিছিল পূৰ, গতিকে— চকুৰ চৰম এৰি দি খাওঁতাই যায়নো কিমান দূৰ? কিন্তু—লোকৰ এই উছাহো ক্ৰমাত কমি আহিল, কিছুমানে মিঠাই-টিঠাই খায়েই ফুটি যোৱা হ'ল, কিছুমানে গানৰ বাহানাৰে দন টানি খাই ঘৰাঘৰি গ'ল। এইদৰে কিছুদিন চলিল, কিন্তু এটা দিন আহিল যেইদিনা এজন শুনোতাও আৰু নিমিলিল!

কিন্তু—মাগ্‌নাৰ মিঠাই কিছুমানে নোখোৱাকৈ নাথাকিল। আৰু—সিহঁতেই সুৰবলিয়া সুৰহীন সুৰধৰৰ সংগীত শুনিবলৈ 'সুৰ সংঘ' বোলা অনুষ্ঠান এখন পাতিলে আৰু নিয়মীয়াকৈ মিঠাই খাই পেটৰ খজুৱতি মাৰি কাণৰ কণামাকৰি সকৰা সুৰধৰৰ গানলৈ কাণ কৰাৰ ভাও দিলে।

কিন্তু কেতিয়াবা কেতিয়াবা 'সুৰ-সংঘ'ৰ এজনেই মাত্ৰ আহিছিল, আৰু তেওঁৰ অৱস্থা হৈছিল সেই পুৰণি কাহিনীৰ চক্ৰপুৰবাসীয়ে বকাসুৰৰ ওচৰলৈ যোৱাৰ দৰে, শহাই বাঘৰ কাষলৈ যোৱাৰ দৰে। কিন্তু—নগৈও নোৱাৰে, কিয়নো—সুৰধৰৰ গান মিঠা নহওকেই, মিঠাই তো মিঠা!

তথাপি সুৰধৰক আমন-জিমন হৈ থকা দেখি পেহীয়েক মালিনীয়ে এদিন সুৰধৰক ক'লে, কাম এটা কৰা। তুমি প্ৰতিদিন গান গাব নালাগে, সাদিনত এদিনকৈ গোৱা, শুনোতা মিলিব ঢেৰ— যদি নহয় কপালৰ ফেৰ! কাম আৰু এটা কৰা। তোমাৰ শ্ৰোতাহঁতক আগতে মিঠাই নুখুৱাবা। পহিলতে ভগৱন্তৰ গান, পাছত প্ৰসাদ দান। তেতিয়া কোনেও কোনো বাপেকৰ পোৱেই তোমাৰ গান নুশুনাকৈ গুচি যাব নোৱাৰে।"

কিছুদিন এই উপায়ে ভালেই গুণ দিলে। কিন্তু কথা শেহলৈ সেই—। লাহে লাহে — ভগৱন্তৰ পৰসাদ খোৱাহঁতৰো আহন-যাৱন ভকতিৰ গান শুনন—তাকৰি আহিল। আৰু তেতিয়া—পেহীয়েকৰ

পৰামৰ্শমতে সুৰধৰে চহৰত দোকান পাতিলেগৈ। পেহীয়েকেই তাক কৈছিল: গঞাই কি বুজিব গানৰ মোল? চহৰলৈ যাব পাৰা যদি চাবা—কিমান যে বাজিব তোমাৰ গানৰ ঢোল।

সুৰধৰ গ'ল চহৰলৈ। তাতো পাতিলে মিঠাইৰ দোকান। ত'ৰ লগত তাৰ পেহীয়েকো চহৰলৈ আহিছিল। ক্ৰমে তাৰ কেৱল মিঠাইৰ কথায়েই নহয়, গানৰ কথাও মানুহে জনা হ'ল। আৰু সুৰধৰেও কোৱা হ'ল: মোৰ গান শুনিলেই মিঠাই পাবা, নহ'লে যোৱা ক'লৈ যাবা।

এদিন এজন মগনিয়াৰ আহিল। তাকো সুৰধৰে একেই কথা ক'লে। মগনিয়াৰ মান্তি হ'ল সুৰধৰৰ গান শুনিবলৈ। মগনিয়াৰটোৱে পেট পূৰাই খালে মিঠাই, সুৰধৰেও দিলে তাৰ কাণৰ পোক খহাই গান শুনাই।

কিন্তু এদিন সেই মগনিয়াৰটো আৰু নহা হ'ল, তাৰ সলনি আহিল অন্য এক মগনিয়াৰ। সি ক'লে সুৰধৰক, "ডাঙৰীয়া, মোক সিয়েই ভেজিছে, ময়ো মিঠাই খাম আৰু আপোনাৰ গানো শুনিম।"

"সি নাহিল কেলে'?" সুৰধৰে ভুকু কোঁচাই সুধিলে।

"কথা হ'ল—" নতুন মগনিয়াৰটোৱে গল-ঢেকাৰি মাৰি ক'লে, "সিও গান-বাদ্য কিছুখিনি জানে। গতিকে—আপোনাৰ গান—যদিও ভাল, তথাপি সেয়ে হ'ল তাৰ কাল। কিন্তু মই এইচব গান-বাদ্য একো নুবুজা, গতিকে মোৰ নাই কোনো ৰকমৰে অসুবিধা।"

দোকানৰ আগত তেতিয়া ছোৱালী এজনীও বৈ আছিল, মগনিয়াৰ-সুৰধৰৰ কথাখিনি শুনি তাই হাঁহি উঠাত সুৰধৰে খঙতে কৈ উঠিল, "তুমিনো কোন—? কি লাগে তোমাক? হাঁহিছা কেলে'?"

"মই সৰস্বতী। মই বন্ধাত নাই বঢ়াত নাই, আৰু দেউতাই ক'ব—ৰান্ধন-

বাঢ়ন শিকি ল'চোন আই। কোনোবাই যদি মোক সদায় খুৱায়. শুনি থাকিম যি শুনায় যা শুনায় !" সৰস্বতীয়ে ক'লে।

"তুমি গান-তান জানানো নাজানা ?" সুৰধৰে সুধিলে।

"জানো তো— !" সৰস্বতীয়ে ক'লে, "মোৰ পিতাজী ডাঙৰ সংগীতবিদ। তেওঁৰ গীত-মাত শুনিবলৈ কিমান যে আহে! মোৰ দেউতাৰ মনত দুখ—তেওঁৰ গীত শুনোতাক তেওঁ একো খুৱাব নোৱাৰে, কিয়নো, মই একো বনাবলৈ শিকাই নাই। এই কথাত আমাৰ কি যে কাজিয়া !"

ঠিক আছে, মই তোমালোকক খোৱা-বস্তু বনাই দিওঁ যদি—দিনে-নিশাই মোৰ গান শুনিবানে?" সুৰধৰে সৰস্বতীকক'লে।

"ক'ব লাগিছেনে আৰু ?" সৰস্বতীয়ে টপৰকৰে কৈ দিলে।

পেহীয়েক মালিনীয়ে এচুকত থিয় হৈ সুৰধৰ-সৰস্বতীৰ কথা-বতৰা শুনি আছিল। গুচি যাবলৈ খোজ লোৱা সৰস্বতীক পেহীয়েক মালিনীয়ে ক'লে, "ৰ'বাচোন—ৰ'বা। তোমালোকৰ ঘৰ ক'ত ? তোমাৰ দেউতাৰ সৈতে মোৰ কিছু কথা আছে।"

সৰস্বতীয়ে পেহীয়েক মালিনীক সিহঁতৰ ঘৰলৈ লৈ গ'ল। মালিনীয়ে সৰস্বতীৰ দেউতাকক ক'লে. "তাইৰ স্বীকৃতি এক-প্ৰকাৰে মিলিল বুলিয়েই ক'ব পাৰি। এতিয়া—আপোনাৰপৰা স্বীকৃতি পালেই হৈ যায়।" মালিনীয়ে সুৰধৰৰ কথা আৰু লগতে সুৰধৰৰ আৰু সৰস্বতীৰ মাজত হোৱা কথাখিনিও আগতেই কৈছিল।

সৰস্বতীৰ দেউতাকে ক'লে. "বেয়া নহ'ব। কমেও—আমাৰ সৰস্বতীয়ে পাব এজন ভাল ৰান্ধনি আৰু ৰান্ধনিয়ে পাব এজনী স্থায়ী সুৰৰ চমজদাৰ !

এইদৰে কুৰীয়া আৰু সুৰীয়াৰ সমস্যাৰ ওৰ পৰিল আৰু দুয়ো দুয়োৰো ফান্দত পৰি বজ্ৰৰ বান্ধনে বান্ধ খাই পৰিল।



বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য

লুণীয়া কথা

'সাগৰ কিয় লুণীয়া'—বিভিন্ন দেশৰ লোক-কাহিনীত এই প্ৰশ্নৰ বিভিন্ন উত্তৰ। সাগৰঢৌবোৰৰ মেঘবোৰে সাগৰক যেনেকৈ উথল-পাথল কৰে, তাতে অভাৱিত পৰিমাণৰ লোণ পোৱা যায় —আৰু যে কত কি লুণীয়া কথা কোৱা হয়। কিন্তু প্ৰকৃতাৰ্থত– নৈবোৰে আমাৰ এই মাটিৰেপৰাই বিভিন্ন পদাৰ্থ আনকি লোণও কঢ়িয়াই সাগৰলৈ লৈ যায়—যিবোৰ পদাৰ্থ সেই সাগৰত থাকে। সাগৰৰ পানীৰ এভাগ ভাঁপ হৈ উৰি যায়, কিন্তু যি বিপুল জলৰাশি সাগৰৰ বুকুত বা লগত তাত মিহলি হৈ ৰকা থাকে—গধুৰ লোণ পানীত থাকি যায় আৰু সেই লোণ বিভিন্ন প্ৰক্ৰিয়াৰে পৰিষ্কৃত কৰি আমি আমাৰ যোগেদি খাদ্য হিচাপে ব্যৱহাৰ কৰোঁ।

জলবিহীন জীৱন !



আনকি গছ-গছনিও যে পানী নোহোৱাকৈ জীয়াই থাকিব নোৱাৰে—আমি জানো। কিন্তু মৰুভূমিত ? মৰুভূমিতো গছ-গছনি একেবাৰে নোহোৱা নহয়। মৰুভূমিৰ মাজতো ঠায়ে ঠায়ে বিভিন্ন ধৰণৰ আৰু বৰণৰ গছ-গছনি আছে। সেইবোৰে কেনেকৈ জীয়াই থাকে ? মৰুভূমিত নাগফণা-জাতীয় যি পাত নথকা গছ আছে সেইবোৰৰ ভিতৰত এবিধ পানীয়া পদাৰ্থ সঞ্চিত থাকে—আৰু মৰুভূমিত বৰষুণ নোহোৱালৈকে সেই গছসমূহে নিজৰ দেহস্থ ৰস পান কৰিয়েই কথমপি নহয় বাঢ়িয়াকৈৰেই জীয়াই থকা হয়। বৰষুণ যেতিয়াই হয়, এই গছবোৰে তেতিয়া সেই বৰষুণ পাৰেমানে শুহি লয়। এইবোৰত নিয়মীয়াকৈ পানী দিলে মৰুভূমিৰ এই গছবোৰতো ফুল ফুলা দেখা গৈছে।

পাত আৰু সিৰা-উপসিৰা



পাতৰ সিৰা-উপসিৰাবোৰে ঠিক মানৱ-দেহস্থ সিৰা-উপসিৰাৰ দৰেই কাম কৰে। পাতবোৰে সিহঁতৰ সিৰা-উপসিৰাৰ যোগেদি পানী শুহি লয়, খনিজ-দ্ৰব্যাদি শুহি লয় আৰু এই উপায়েৰেই বৃদ্ধি প্ৰাপ্ত হয়, দেখাত হয় ধুনীয়াৰো ধুনীয়া। ইহঁতে ঘাইকৈ মাটিৰ অভ্যন্তৰস্থ পদ-পদাৰ্থ শুহি লয়, আৰু আনকি বতৰৰপৰাও যি পাৰে যিমান পাৰে লয়, আৰু এইদৰে সদা-সৰ্বক্ষণেই য'ৰপৰা যি পায় তাকে লৈ নিজক দেখন-দৰ্পণে চকুৰোৱা কৰি তোলে। পাতত থকা সিৰা-উপসিৰাবোৰক তথাপি আমিৰ থাভিমানী বুলি ক'মনে !

আহঁ ওমলোঁ মিলিজুলি,
Campco
হাঁহি-স্ফূৰ্তিৰ মধুৰ ক্ষণত কেম্পকো নালাগে
জুতিলগা সোৱাদ, ভাৰতৰ সকলোকে
কেম্পকো অৰ্থাৎ ওমলা
Campco
White
Creamy Chocolate
Campco
Creamy Milk Chocolate
R K SWAMY/BBDO CL 12624 AS

ম্পকোৱে কৰি মিতিৰালি
Campco
?মুখত দিলেই পোৱা যায় চকলেটৰ আচল
আৰু সকলোতকৈ আধুনিক প্লেণ্টত তৈয়াৰী।
নলেগলে লগা সঙ্গী।
mega bite
Campco
Fun Bite
Rs 1.50
আচল মজা!
Campco

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৪ চনৰ ছেপ্টেম্বৰৰ সংখ্যাত প্ৰকাশিত হ'ব।

S.G. Seshagiri

S.G. Seshagiri

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯৪ চনৰ জুলাই মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৪ চনৰ মে' মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : পঢ়ি চান্দমামা-কাহিনী
দ্বিতীয় ফটো : মেলে জীৱনৰ পাতনি

মানৱজ্যোতি শইকীয়া
ডিব্ৰুগড় ইউনিভাৰ্চিটি মডেল স্কুল

আৰু

নিৰঞ্জন দাস (ৰণজিত)
জীৱনতৃষ্ণা কেবিন, বৰপেটা-১

[বক্তব্য একেই হোৱাত পুৰস্কাৰ দুজনৰ মাজত ভগাই দিয়া হ'ল।]

[পুৰস্কাৰৰ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

ভাৰতত বছৰেকীয়া বৰঙনি **চান্দমামা** ৪৮.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are the exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ

অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্‌

মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু

আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 105.00 ● উৰাজাহাজ-যোগে **252.00**

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 111.00 ● উৰাজাহাজ-যোগে **252.00**

আপোনাৰ বৰঙণি বেৰল ডিমাণ্ড ড্ৰাফ্‌ট্‌ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ

ছাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

ইয়াৰ সমান হব কোন !
PARLE
big chief
BANANA
নতুন
বিগ চীফ
ফলৰ স্বাদযুক্ত টফি
পার্লে
কল ♦ মেংগো ♦ অৰেঞ্জ
everest/94/PP/72-as